# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

29.4.94
REFERENCE
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

ADJOURNED JULY-AUGUST SESSION

INCLUDING BUDGET SESSION, 1991

## VOLUME- II
## NO. I

The 6th September , 1991.

Price— Rs. 12.85

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

## CONTENTS

### ADJOURNED JULY-AUGUST SESSION
### INCLUDING BUDGET SESSION

Volume II No. 1
Dated, the 6th September 1991


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1—37 |
| 2. | Discussion During Zero Hour | 37—46 |
| 3. | Adjournment Motion | 46—49 |
| 4. | Report of the Business Advisory Committee | 49—51 |
| 5. | Announcement from the Chair | 51 |
| 6. | Call Attention | 52—54 |
| 7. | Matter under Rule 301 | 54—58 |
| 8. | Laying of Report | 59 |
| 9. | Laying of Regulations | 59—61 |
| 10. | Obituary References | 62—63 |
| 11. | Adjournment | 64 |
| 12. | Annexure I to IV | 65—67 |

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, September 6, 1991.

The House met at 8-30 A. M. in the Assembly Chamber DISPUR with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given )

### বিষয় : গোৱালপাৰা জিলাৰ বাছৰ অনুজ্ঞাপত্ৰ।

শ্ৰীনজমুল হকে সুধিছে :

* ১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাত মুঠ কিমান খন আন্তঃ জিলা পৰিবহন বাছৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

(খ) উক্ত বাছবোৰ কোন কোন ৰাস্তাত চলাৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

(গ) অনুজ্ঞাপত্ৰ দিয়া আন্তঃ জিলা বাছ গাড়ীবোৰ নিৰ্দ্দিষ্ট কৰি দিয়া ৰাস্তাত নচলাৰ কাৰণ কি ?

(ঘ) উক্ত বাছবোৰ নিৰ্দ্দিষ্ট কৰি দিয়া ৰাস্তাত নচলাৰ বাবে গাড়ীবোৰৰ অনুজ্ঞা-পত্ৰ বাতিল কৰা হবনে ?

শ্ৰীশিৱশম্ভু ওজা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৯ খন।

(খ) অনুজ্ঞাপত্ৰ দিয়া ৰাস্তাবোৰৰ তালিকা সদনত দাখিল কৰা হ'ল।
(See the list at AnnexureI)

(গ) বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাবে আন্তঃ জিলা গাড়ীবোৰ নিৰ্দ্দিষ্ট কৰি দিয়া পথত চলিব পৰা নাই।

(ঘ) যি বিলাক গাড়ী ৰাস্তা বেয়াহৈ থকাৰ কাৰণে নির্দ্দিষ্ট পথত চলিব পৰা নাই সেইবিলাক গাড়ীৰ ক্ষেত্রত অনুজ্ঞাপত্র বাতিল কৰাৰ প্রশ্ন নুঠে। ইয়াৰ বাহিৰে যিবিলাক গাড়ী নির্দ্দিষ্ট পথত চলা নাই সেই গাড়ী সমূহক ৰাইজৰ অসুবিধাৰ প্রতি লক্ষ্য ৰাখি বর্ত্তমানে কেৱল জৰিমনা কৰি থকা হৈছে। আৰু প্রয়োজন সাপেক্ষে অনুজ্ঞাপত্র বাতিল কৰন বিবেচনা কৰা হব।

শ্রীনজমুল হক: মাননীয় পৰিবহন মন্ত্রী মহোদয়ে উত্তৰত কৈছে যে ৩৯ খন আন্তঃজিলা পৰিবহন বাছৰ অনুজ্ঞাপত্র দিয়া হৈছে। মোৰ বোধেৰে এই প্রশ্নটো পোৱাৰ পিছতহে বাছ চলাইছে আমি দেখিছো আজি এসপ্তাহ আগৰ পৰা এখন বাছ চলিছে। বাকী বিলাক বাছ চলাই নাই। গতিকে বাছবিলাক নচলোৱাৰ কাৰণে আন্তঃজিলা বাছ পৰিবহন সন্থাব লগত কথা পাতি বিহিত ব্যৱস্থা গ্রহণ কৰিব নে?

শ্রীশিৱশম্ভু ওজা (মন্ত্রী): এই বিষয়ে অনুসন্ধান কৰা হব। যদি চলোৱা নাই চলোৱাৰ ব্যৱস্থা কৰা হব।

শ্রীজয়নাথ শর্ম্মা: আন্তঃজিলা পৰিবহন বাছৰ অনুজ্ঞাপত্র কোন কোন জিলাত কিমান ৰাস্তাত চলোৱাৰ অনুজ্ঞাপত্র দিয়া হৈছে? যদি বাছবিলাক চলোৱা নাই সেই বিষয়ে তদন্ত কৰাৰ ব্যৱস্থা কৰিব নে?

শ্রীশিৱশম্ভু ওজা (মন্ত্রী): ইয়াৰ কাৰণে এটা সুকীয়া প্রশ্ন লাগিব।

শ্রীজয় নাথ শর্ম্মা: অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে সুকীয়া প্রশ্নৰ প্রয়োজন নাই। এইটো ৰিলেভেন প্রশ্ন। মন্ত্রী মহোদয়ে বুজা নাই যদি মই আকৌ কম। অনুজ্ঞাপত্র দিয়া বাছবিলাক যদি চলা নাই তেনেহলে অনুসন্ধান কৰিব নেকি?

শ্রীশিৱশম্ভু ওজা (মন্ত্রী): নির্দ্দিষ্ট অভিযোগ থাকিলে ব্যৱস্থা লম।

শ্রীগিয়াচুদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাব নে এই সংশ্লিষ্ট ৰাস্তাবিলাক নেচনেলাইজ ৰুট হয় নে নহয়? নেচনেলাইজ ৰুটত যদি ব্যক্তিগত কোনো মানুহক অনুজ্ঞাপত্র দিয়া হৈছে তেনেহলে কি বিধিমতে দিয়া হৈছে?

শ্রীশিৱশম্ভু ওজা (মন্ত্রী): এইটো এটা সুকীয়া প্রশ্ন।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, এইটো স্বকীয়া প্ৰশ্ন নহয়। প্ৰশ্নটো অপ্ৰাসঙ্গিক হলে উত্তৰ নিদিয়া বেলেগ কথা। কিন্তু প্ৰশ্নটো ইয়াৰ লগত সম্পৰ্ক আছে। এই ৰাস্তাবিলাক জাতীয়কৰণ কৰা হৈছে নে নাই? যদি তেখেতে এতিয়াই উত্তৰ দিব নোৱাৰে প্ৰশ্নটো পেণ্ডিং ৰাখিব পাৰে।

Shri Parameswar Brahma : Mr. Speaker Sir, I want to ask the Honourable Minister incharge Transport that we had State Transport Service From Guwahati to Gossaigaon earlier which is now suspended. We do not know on what reasons the State Transport service from Guwahati to Gossaigaon is suspended? Whether it can be started again?

শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) : চোৱা হব।

শ্ৰীনজমুল হক : যদি আগতে দিয়া অনুজ্ঞাপত্ৰৰ বাছবিলাক নচলে তেনেহলে সেই ৰাস্তাবিলাকত ৰাজ্যিক পৰিবহন বিভাগৰ বাছ চলাচল কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) : বিবেচনা কৰা হব।

বিষয় : জৱাহৰ ৰোজগাৰ আঁচনিত টকাৰ ধাৰ্য্য।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

* ২। মাননীয় পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনৰ ১৯৯১-৯২ চনৰ বাবে জৱাহৰ ৰোজগাৰ আঁচনিত সৰ্বমুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে? (জিলা আৰু উন্নয়ন খণ্ডৰ ভিত্তিত এই হিচাপ সদনত দাখিল কৰিব)।

(খ) বি, এল, চি, চি বা উন্নয়ন খণ্ড সমূহৰ সমন্বিত কমিটি সমূহ গঠন কৰা হল নে আৰু যদি হোৱা নাই কেতিয়া হব?

(গ) জিলা গ্ৰাম্য উন্নয়ন সংস্থা বা ডি আৰ ডি এ সমূহ গঠন কৰা হ'ল নে?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনত জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত ৰাজ্যখনৰ বাবে সৰ্ব্বমুঠ একাৱন্ন কৌটি চৈধ্য লাখ উনষাঠী হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। (জিলা ভিত্তিত আৱণ্টনৰ প্ৰতিলিপি ইয়াৰ লগত গাঠি দিয়া হ'ল।) (See the list at Annexure II)

উন্নয়ন খণ্ডৰ অন্তৰ্গত গাওঁ পঞ্চায়তবোৰক জনসংখ্যাৰ গাঠনিৰ ভিত্তিত (SC/ST/General) এই শিতানত টকা আৱণ্টন দিয়াৰ নিৰ্দেশ দিয়া হৈছে। কিন্তু ১৯৯১ চনৰ জন সংখ্যাৰ ভিত্তিত আৱণ্টিত টকাৰ পৰিমান কিছু সাল-সলনি হব পাৰে। এইটো প্ৰচলিত প্ৰথা ইয়াত সম্পূৰ্ণ গুৰুত্ব দিয়া হব।

(খ) যাৱতীয় অধিসূচনা সমূহ প্ৰকাশ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(গ) তেইশখন জিলাৰ ভিতৰত ওঠৰখন জিলাত জিলা গ্ৰাম্য উন্নয়ন সংস্থা গঠন কৰা হৈছে। বাকী পাচখন জিলাত গ্ৰামোন্নয়ন সংস্থা স্থাপন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈ আছে। এই জিলাবোৰৰ নাম হাইলাকান্দি, তিনিচুকীয়া, ধেমাজী, বঙাইগাওঁ আৰু মৰিগাওঁ।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত যিটো কথা কলে সেই সন্দৰ্ভত মই জানিব বিছাৰিছো (ক) প্ৰশ্নৰ উত্তৰত কৰ বিছাৰিছো এই ৫০ কোটিৰ ভিতৰত অসমৰ চৰকাৰৰ ভাগ কিমান? কিমান টকা জিলা সমূহলৈ মুকলি কৰি দিয়া হ'ল (খ) ৰ উত্তৰত কওঁ যে বি, এল, চি, চি সমূহ কেতিয়া গঠন কৰা হব আৰু তাত স্থানীয় বিধায়ক সকলকলৈ বি,এল, চি, চি গঠন কৰিব নে?

তৃতীয়তে ডি, আৰ, ডি এৰ গভৰ্ণিং বডি সমূহ আই, আৰ, দি, পি মেনুৱেল মতেই কৰা হয়। ৫ খন জিলাত গভৰ্নিং বডি কিয় গঠন কৰিবলৈ বাকী থাকিল?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ডি-আৰ-ডি-এৰ টকা শতকৰা ৮০ ভাগ কেন্দ্ৰীয় চৰকাৰে দিয়ে আৰু শতকৰা ২০ ভাগ ৰাজ্য চৰকাৰে দিব লাগে। টকা আৱণ্টন দিয়া হ'ল মোকলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, কিমান টকা এতিয়ালৈ ৰিলিজ কৰি দিছে?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আবণ্টনৰ টকাখিনি আবণ্টন কৰা হল আৰু এই টকাখিনি মোকোলাই দিয়াৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ দায়িত্ব গভর্ণিং বডিক দিয়া হৈছে। জিলা ভিত্তিত একজিকিউটিভ কাউন্সিলাৰক মেম্বাৰ কৰাৰ কথা আছিল, এইটোও কৰা হল। বি,এল,চি চি উন্নয়ন খণ্ড সমূহৰ সমন্বিত কমিটি সমুহো গঠন কৰা হ'ল, দুই এটা অৱশ্যে অলপ অসুবিধাৰ কাৰণে কৰা হোৱা নাই। মন্ত্ৰীসকল বি,এল,চি,চিৰ চেয়াৰ-মেন হৈ থাকিবনে নাথাকে এইটোৰ সিদ্ধান্ত লোৱাৰ প্ৰয়োজন আছে। এম, এল, এ সকল অৱশ্যে থাকিব।

শ্ৰীজয়নাথ শৰ্মা: অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বছৰৰ অধিকাংশ মাহ শেষ হ'ল, মোৰ প্ৰশ্নটো হৈছে আজিৰ দিনটোলৈকে দৰং, নগাওঁ, লক্ষীমপুৰ আদি জিলাত আপুনি কিমান টকা পঠাইছে?

শ্ৰীআফাজালুৰ ৰহমান (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ইতিমধ্যে জিলা ভিত্তিত আৱণ্টন কৰা হ'ল আৰু সেই মতে টকাটো মোকোলাই দিয়া হ'ল।

শ্ৰীজয়নাথ শৰ্মা: এতিয়ালৈ এটা টকাও ৰিলিজ কৰা নাই, অসুবিধা কি?

শ্ৰীআফাজালুৰ ৰহমান (মন্ত্ৰী): অধ্যক্ষ মহোদয়, অসুবিধা এটা আছে। গভর্ণিং বডি হোৱা নাছিল। মাননীয় সদস্যই ভালকৈ জানে যে চৰকাৰ গঠন হোৱাৰ পিছত বানপানী হল আনহাতে নতুনকৈ চৰকাৰ এখন গঠন হোৱাৰ পিচত নানা ধৰণৰ আসোৱাহ থাকে। বৰ্ত্তমান জিলা ভিত্তিত কাম থিনি কৰিবলৈ যোজা কৰা হৈছে। মাননীয় সদস্য জনক জনাও যে এই মাহৰ পৰা পূৰ্ণগতিত কাম কৰিব পৰা হব।

শ্ৰীহলিৰাম টেৰাং: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গভর্ণিং বডি গঠন কৰাৰ কথা কৈছে, এই বডি গঠন কৰিবলৈ সময় লাগিব। জিলা ভিত্তিত চিফ একজিকিউটিভ কাউন্সিলাৰক ডি, আৰ, ডি, এৰ মেম্বাৰ কৰাৰ কাৰণে সময় লাগিব কাৰণ অসমত পঞ্চায়ত এতিয়াও হোৱাই নাই, কিন্তু কাৰ্বি আংলং জিলাত লোকেল ইলেকটেড বডি আছেই। যিবিলাকত এইদৰে লোকেল বডি আছে সেইবিলাকত ডি,আৰ,ডি, এৰ কাৰ্য্যভাৰ এতিয়াই দিব নেকি?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): পঞ্চায়ত ইলেকশ্বন হোৱাৰ পিচতহে ৰিবেচনা কৰা হব।

শ্ৰীহলিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, পঞ্চায়ত ইলেকশ্বন হোৱাটো কিয় ৰাট চাব লাগে, লোকেল ইলেকটেড ৰডি থকা জিলাবোৰত কিয় এতিয়াই দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কথাটো হৈছে ডি,আৰ,ডি, এৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ যি নীতি আছে সেইমতে জিলা কাউন্সিলাৰক ইয়াৰ দায়িত্ব দিব লাগিব বুলি কথা নাই। আমি এই কাম কেনেকৈ সমাধা কৰিব পাৰো সেই কথা সদিচ্চাৰে বিবেচনা কৰি আছো।

**বিষয় ঃ ছয়গাওঁ ৩০ খন বিচনাযুক্ত চিকিৎসালয়।**

ডাঃ কমলা কলিতাই সুধিছে ঃ

*৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ অন্তৰ্গত ছয়গাওঁত ৩০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ আঁচনি থকাটো সত্যনে ?

(খ) ইয়াৰ নিৰ্ম্মাণৰ বাবে গড়কাপ্তানী বিভাগে নিবিদা বিচৰাটো সত্যনে ?

(গ) বৰ্ত্তমান নিৰ্ম্মাণৰ কাম কি পৰ্য্যায়ত আছে ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়।

(গ) বৰ্ত্তমান স্থগিত আছে।

শ্ৰীকমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত বৰ্ত্তমান স্থগিত আছে বুলি উত্তৰ দিছে, কিয় স্থগিত ৰাখিব লগা হ'ল জনাবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ অন্তৰ্গত ৩০ খন বিচনাযুক্ত চিকিৎসালয় এখন নিৰ্ম্মাণৰ বাবে স্বাস্থ্য বিভাগৰ চিঠি নং এইচ, এন, এ ৩৭১।৯০।১৪ তাং ২৫।৮।৯০ অনুযায়ী মুঠ ৩১,৬২,০০০ টকা অনুমোদন কৰা হৈছে। কিন্তু পূজিৰ নাটনিৰ বাবে কেৱল মূল চিকিৎসালয় গৃহটোৰ নিৰ্ম্মাণৰ বাবে নিবিদা আহ্বান কৰা হয় আৰু কামটো গড়কাপ্তানি

(গৃহ) বিভাগৰ ওৰ্ক অৰ্দাৰ বি পি এম নং ৬৩।৯০।৪ তাং ২৮।১।৯১ মৰ্মে কামটো দিয়া হয়। এগ্ৰিমেণ্ট মতে কামটো শেষ হোৱা তাৰিখ ১০।২।৯২ কিন্তু বৰ্ত্তমান কামটো স্থগিত হৈছে চাইট প্লেনটোৰ মোদিফিকেশ্যন কৰিব লগা বাবে বৰ্ত্তমান মোদিফাইদ চাইট প্লেন প্ৰস্তুত কৰা হৈছে আৰু প্ৰতি স্বাক্ষৰৰ বাবে গুৱাহাটী বিল্ডিং ডিভিজনলৈ পঠোৱা হৈছে।

শ্ৰীকমলা কলিতা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আন এটা কথা জনাবনে কি যে এই হস্পিতালখন নিৰ্ম্মাণৰ কাৰণে ১৯৯০-৯১ চনত যিটো টকা ইয়েৰ মাৰ্ক কৰি ৰখা হৈছে এই টকাটো সেই সময়ত খৰচ কৰা নাই, এই টকাটো বৰ্ত্তমান কি অৱস্থাত আছে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই আগতেই কৈছো, এই টকাটো খৰচ হব, ১০।২।৯২ তাৰিখলৈ ঠিকাদাৰৰ এগ্ৰিমেণ্ট আছে।

শ্ৰীদিলীপ শইকীয়া: অধ্যক্ষ মহোদয়, গুৱাহাটী মেডিকেল কলেজত চুপাৰ ডিলাক্স ৰূম কৰাৰ কাৰণে কিবা ব্যৱস্থা আছে নেকি? যি সময়ত ৰাইজে এখন হস্পিতাল কৰাৰ কাৰণে টকা পোৱা নাই, তেনে ক্ষেত্ৰত গুৱাহাটী মেডিকেল কলেজত চুপাৰ ডিলাক্স ৰূম কৰাৰ কথা ভবা হৈছে? এই কথা সঁচানে কি?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন।

### বিষয়: নাৰ্চৰ দৰমহা।

* ৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ তিনিওখন মেডিকেল কলেজ আৰু চৰকাৰী চিকিৎসালয় সমূহত কাম কৰা নাৰ্চৰ ১৫০০ শতকৈ অধিক নাৰ্চে যোৱা জুন মাহৰ পৰা দৰমহা নোপোৱাকৈ থকা বুলি উঠা অভিযোগ সঁচানে?

(খ) যদি সঁচা, কি কাৰণে তেওঁলোকক দৰমহা দিয়া নাই?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) আংশিক ভাৱে সঁচা।

(খ) কিছুমান প্ৰশাসনীয় অসুবিধাৰ বাবে দৰমহা দিব পৰা হোৱা নাই।

শ্ৰীশশকমল সন্দিকৈ: মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা জানিব বিচাৰিছো যে এই প্ৰশ্নটোৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে

যে কথাটো আংশিক ভাৱে সঁচা। মোৰ প্ৰশ্ন হৈছে যে ৰেগুলাৰ ষ্টাফ থকাৰ পিচত বা বাজেটত চেংছন থকাৰ পিচত কি অসুবিধাৰ কাৰণে এই কৰ্ম্মচাৰী সকলক দৰমহা দিব পৰা নাই। তেওঁলোকে আজি ৩-৪ মাহৰ দৰমহা পোৱা নাই। যিহেতু এইলোক সকলৰ সেৱা আমাৰ জন-জীৱনৰ লগত জড়িত গতিকে তেওঁলোকে দৰমহা পোৱা নিশ্চিত নহলে বা কোনো কাৰণত গাফিলতি কৰিলে সাধাৰণ মানুহৰ অশান্তি হব পাৰে। সেই কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে এই আসোৱাহবোৰ দূৰ কৰি তেওঁলোকক নীতিগত ভাৱে দৰমহা দিয়াৰ ব্যৱস্থা হাতত লব নে?

শ্ৰীগৌতম বৰা (ৰাজিক মন্ত্ৰী) অধ্যক্ষ মহোদয়, চৰকাৰে এই আসোৱাহবোৰ দূৰ কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা লৈ আছে।

শ্ৰীনগেন শৰ্ম্মা: অধ্যক্ষ মহোদয়, এইলোক সকলক দৰমহা দিয়াৰ ক্ষেত্ৰত কিছুমান প্ৰশাসনীয় অসুবিধা আছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। কি অসুবিধাৰ কাৰণে তেওঁলোকক দৰমহা দিব পৰা নাই জনাব নে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ অধীনত থকা বিভিন্ন অনুষ্ঠানৰ অস্থায়ী নাৰ্চপদ বিলাক ১৯৯১-১৯৯২ চনৰ বাবে বছৰেকীয়া অনুমোদন প্ৰায় ৯০ শতাংশ দিয়া হৈছে। বাকী ১০ ভাগ অনুমোদন এতিয়াও দিব পৰা নাই।

এই অস্থায়ী পদবোৰ প্ৰতি ৫ বছৰৰ মূৰে মূৰে বিত্ত বিভাগৰ সন্মতি সাপেক্ষে প্ৰশাসনীয় বিভাগে ৰিটেনচনৰ অনুমোদন দিব পাৰে। এনে ধৰণৰ প্ৰক্ৰিয়াবোৰ সমাধা কৰোতে ৰিটেনচনৰ অনুমতি প্ৰদানৰ অলপ পলম হয়। বিত্ত বিভাগৰ পৰা অনুমোদন পালেই পৰ্য্যায়ক্ৰমে বাকী থকা নাৰ্চৰ দৰমহা দিব পৰা হব। চৰকাৰে এই অস্থায়ী পদবোৰ স্থায়ীকৰণৰ বাবে যাবতীয় ব্যৱস্থা লৈ আছে।

শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কথাটো আংশিক ভাৱে সঁচা। এতিয়া কথা হৈছে প্ৰকৃততে কিমান নাৰ্চক দৰমহা দিবলৈ বাকী আছে। ১০ শতাংশৰ সংখ্যাটো কিমান? কি প্ৰশাসনীয় অসুবিধাৰ কাৰণে তেওঁলোকক দৰমহা দিব পৰা নাই।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই সম্পৰ্কত ইতিমধ্যে

কোৱা হৈছে। ৯০ শতাংশক দৰমহা দিয়া হৈছে, বাকী ১০ শতাংশক দিবলৈ বাকী আছে।

### Re: **Appointment of Doctors.**

Shri Khiran Borgoyary asked:

*5. Will the Minister, Health & F. W. be pleased to State:

(a) Whether Government is aware of the sufferings of the people of Bodo dominated areas for delaying appointment of Doctors?

(b) What steps have been taken so far in appointing doctors?

(c) Is it for shortage of doctors in the State?

Shri Gautom Bora (Minister of State, Health & F. W.) replied:

(a) Government is aware of the suffering of the people of Assam as a whole and there has been no delay on Government side for appointment of Doctors.

(b) Steps for appointment of Doctors in vacant posts all over the state have been taken and special attention has been given for Bodo dominated areas.

(c) No. Not for shortage of doctors, but some doctors appointed have not joined in service.

Shri Khiren Borgoyary: Mr Speaker Sir, we request the Honourable Health Minister to let us know how many doctors have so far been appointed:

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, ইয়াৰ বাবে বেলেগে প্ৰশ্ন দিলে কব পৰা হব।

শ্ৰীমুনীন মহন্ত : অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ লগতে মই আৰু এটা প্ৰশ্ন কৰিব খোজো যে যোৱা বিধান সভাৰ অধিবেশনতো আমাৰ মৰিগাওঁ জিলাত ডাক্তৰৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত এটা কথা উৎথাপন কৰা হৈছিল। মৰিগাওঁ চিভিল হস্পিতেলতো কোনো স্পেচিয়েল ডাক্তৰ নাই। ইয়াৰোপৰি অন্যান্য হস্পিতেল বিলাকতো বানপানীৰ সময়ত ৰোগী চোৱা চিতা কৰিবৰ কাৰণে ডাক্তৰ নথকাত বহুতো মানুহ মৃত্যু বৰণ কৰিব লগা হৈছিল। গেৰুৱা গাওঁ, জালুগুটিত ডাক্তৰ নাই। গতিকে এইবোৰ ঠাইত কেতিয়া ডাক্তৰ দিব মন্ত্ৰী মহোদয়ে নিৰ্দিষ্টকৈ জনাব নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন।

Shri Parameswar Brahma : As a Supplementary, I would like to state that kokrajhar 100 bedded Civil Hospital is the only centre of medical care and it is extending services to the people of the entire Kokrajhar District. But it is astonishing to note that the efficient services are still lacking. People are suffering due to non-availability of x-ray facilities. x-ray machine is available in the Hospital, but it is not in order. As a result, the people have to go to Alipurduar and Bongaigaon for availing critical and sophisticated X-ray.

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয় এইটো এটা সুকীয়া প্ৰশ্ন।

Shri Samarendra Nath Sen : How many posts of teaching and non teaching staff in Medical Colleges are lying vacant ? I would like to know whether Government is taking steps to fill up the vacancies, if any.

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ; এইটো চোৱা হব।

শ্ৰীহিতেন গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সকলো ঠাইতে ডাক্তৰ দিয়া হৈছে বুলি কৈছে। কিন্তু কথা হল বিশেষকৈ বড়ো অধ্যুষিত অঞ্চলবোৰৰ পৰা ডাক্তৰ সকলে ট্ৰেন্সফাৰ লবলৈ বিচাৰে। এই ক্ষেত্ৰত চৰকাৰে

আমাৰ বড়ো বিধায়ক সকলৰ লগত আলোচনা কৰি সেইবোৰ ঠাইলৈ যাতে ডাক্তৰ যাব পাৰে তাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীগৌতম বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো চোৱা হব।

বিষয় : চিকিৎসালয় নিৰ্ম্মাণ।

শ্ৰীজিউৰাম বৰোই সুধিছে :

* ৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কালাইগাওঁ, খৈৰাবাৰী আৰু ভকতপাৰাত ৩০ (ত্ৰিশ) খন বিছনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লোৱা কথাটো সঁচানে ?

(খ) যদি সচা তেন্তে উক্ত চিকিৎসালয় ৩ (তিনি) খনৰ নিৰ্ম্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ কৰিব ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) এইমাহৰ ভিতৰত সিদ্ধান্ত গ্ৰহণ কৰা হব আৰু তিনিবছৰৰ ভিতৰত নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হব।

শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে তাৰে এটা অংশ মানিব পাৰিলেও আন এটা অংশ মানিব নোৱাৰিলো। এই কাৰণ, কলাইগাওঁ, খৈৰাবাৰী, ভকতপাৰা আদি ঠাই জনজাতীয় অঞ্চল। এই ঠাইবোৰ সদায় পিচপৰা। কলাইগাওঁত যিটো স্বাস্থ্য কেন্দ্ৰ আছে তাত সুচিকিৎসাৰ ব্যৱস্থা নথকাৰ কাৰণে তাৰ ওচৰ-পাজৰৰ মানুহে সময়মতে আৰু উপযুক্ত চিকিৎসা নোপোৱাৰ ফলত আজি কিছু দিনৰ আগতে ৰজাপুখুৰী, কুকুৰামুখ আদি ঠাইৰ কেইবাজনো মানুহ মৃত্যুৰ মুখত পৰিছে। গতিকে এই পিচপৰা ঠাইবোৰত স্বাস্থ্য ৰক্ষাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাব নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয়, সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কব খোজো যে কলাইগাও গড়কাপ্তানি গৃহ বিভাগৰ চিঠি নং বি পি, এম ১।৯১।২ তাং ১৩।২।৯১ মৰ্ম্মে ৩৭,০৫,৭০০ টকাৰ প্ৰাককলন চৰকাৰলৈ পঠোৱা হৈছে কিন্তু এতিয়ালৈকে চৰকাৰৰ পৰা প্ৰশাশনিক অনুমোদন পোৱা নাই

ভকতপাৰা: স্বাস্থ্য আৰু পৰিয়াল কল্যানৰ সচিবৰ চিঠি নং এইচ, এল, এ, ৯৪।৮৮।১ তাং ২৭।২।৮৮ মতে ভকতপাৰাত এখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। কিন্তু কাৰ্য্যবাহী অভিযন্তাৰ পৰা প্ৰাক্কলন নোপোৱা হেতু চৰকাৰলৈ অনুমোদনৰ বাবে পঠাব পৰা নাই।

খৈৰাবাৰী: ইয়াত এখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মানৰ কাৰণে গড়কাপ্তানি (গৃহ) বিভাগৰ চিঠি নং ৬৮।৮৬। পিটি ১।১৯ তাং ১৬।২।৮৭ মৰ্ম্মে নিৰ্দেশ দিয়া হৈছে।

শ্ৰীআব্দুল জেলিল ৰাগিবি: মাননীয় অধ্যক্ষ মহোদয়, মই নীতিগত ভাবে এটা প্ৰশ্ন স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱা চৰকাৰৰ আমোলত অসমৰ বিভিন্ন ঠাইত আৰু জিলাত কিমান স্বাস্থ্য কেন্দ্ৰ ৩০ খন বিচনা যুক্ত, ১০০ খন বিচনা যুক্ত আৰু প্ৰাইমেৰী স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হল? সেই আধাৰশিলা কাৰ কাৰ নামত স্থাপন কৰা হল? এতিয়া সেইবিলাক নিৰ্ম্মানৰ বাবে বাট চাই আছে। অতিৰিক্ত ভাৱে আধাৰশিলা স্থাপন কৰি চৰকাৰক এটা অসুবিধাত পেলোৱা হৈছেনেকি। এতিয়া প্ৰশ্নটো হল এইবিলাক নিৰ্ম্মাণ কৰা হোৱা নাই কিয়।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ে চালি-জাৰি চাই পিচত জনাম।

শ্ৰীগিয়াচউদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্নৰ উত্তৰ খেলি-মেলি পাইছো। এটা পৰিপুৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে, অনুমোদনৰ বাবে চৰকাৰৰ ওচৰলৈ পথাব পৰা হোৱা নাই। এনে ধৰণৰ এটা কথা কৈছে। কিন্তু কোন চৰকাৰলৈ পথাব খুজিছে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, বিত্ত বিভাগলৈ পথাৰ পৰা হোৱা নাই।

Starred Question No. 7 was not Called for. However written replies deemed to have been laid on the Table as follows.

**Re: Written test for appointment:**

Shri Kamal Brahma asked:

*7. Will the Minister, WPT & BC be pleased to state :

(a) Whether it is a fact that the Tribal Development Corporation conducted a written test on 25.11.90 last for the appointment of the Branch Manager, Credit Officer & L. D. A. ?

(b) If so, whether appointment has been made ?

(c) If not, the decision of this Government in this respect ?

Shri Borgoram Deuri (Minister, WPT & BC) replied :

(a) Yes.

(b) No.

(c) It is now a matter within the power of the corporation.

Re : **Khadi & Village Industries in Bodo Areas:**

Shri Parameswar Brahma asked :

*8. Will the Minister khadi & Village Industries be pleased to State :

What measure the Government has taken to establish or spread khadi & Village Industries in the Bodo Areas ?

Shri Shio Sambhu Ojha (Minister Khadi & Village Industries) replied :

The Khadi & Village Industries Board has set up khadi Production Centres one each at places in the Bodo inhabited Areas such as Kokrajhar, Dimalgaon, Garuphella, Dotoma, Sijuguri (Simalgaon) Dhantolla, Chakihali, Gossaigaon of Kokrajhar District, Barama and Tamulpur of Nalbari District, Udalguri and Tangla of Darrang District, Dudhnoi in Goalpara District and Boko in Kamrup District. Moreover, the Board has setup village industries centres

like Bee-Keeping, village oil industry and Gur-Khandsari Development Centre in the Bodo Areas of Kokrajhar, Nalbari, Darrang and Goalpara District and one Model Ghani Centre at Barama of Nalbari District.

Besides the Board is providing financial assistance both in the form of loan and grants to the local people of Bodo Areas through the concerned District Offices to set-up village Industries Units. The financial assistance is provided to the selected deserving persons of Bodo Areas as per allocation made by khadi and village Industries Commission in the Bodo Areas of Assam like other areas.

Shri Parameswar Brahma : Sir, the Minister concerned has informed the House that he has taken up proposal to set up Khadi & Village Industries Centres in the Bodo areas. May I know Whether Government will take special measure to engage young Bodo girls who are traditionally expert weavers, in the proposed centres ?

Shri Shio Sambhu Ojha (Minister) : Government will consider the matter.

St. Q. No. 9 — supplementaries.

Shri zoii Nath Sarma : I have been authorised.

(proceedings in Assamese)

বিষয় ঃ ৩০ খন বিচনাযুক্ত চিকিৎসালয়

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

*৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত নিৰ্ম্মাণ কাৰ্য্য শেষ কৰা ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়ৰ মুঠ সংখ্যা কিমান ?

(খ) উক্ত চিকিৎসালয়বোৰ ৰোগীৰ চিকিৎসাৰ বাবে মুকলি কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

(গ) ঘিলামাৰা আৰু ঢকুৱাখানা ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় দুখনৰ দুৱাৰ মুকলি কেতিয়া কৰিব ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৫৩ খন ।

(খ) লোৱা হৈছে ।

(গ) ঘিলামৰা ৩০ খন বিছনাযুক্ত চিকিৎসালয় চলিত বছৰতে মুকলি কৰা হব । ঢকুৱাখানা এই বছৰত নহৰও পাৰে । কাৰণ গৃহ নিৰ্মাণৰ ৪০% কামহে সম্পন্ন হৈছে ।

Shri Zoii Nath Sarma : I have been authorised. মাননীয় অধ্যক্ষ মহোদয়, ঘিলামৰা হস্পিতালখন ইতিমধ্যে শেষ হৈছে। কিন্তু ঘিলামৰা হস্পিতালৰ কাম শেষ হোৱাৰ পিচতো এতিয়ালৈকে কিয় আৰম্ভ কৰা নাই ? এই বছৰতে ডাক্টৰ নিযুক্তি দি ৰাইজক ঔষধ পাতি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, অসমৰ প্ৰায় নতুনকৈ নিৰ্মাণ কৰা হস্পিতাল মুকলি কৰি দিয়া হৈছে। কিন্তু মাহৰ কটিয়াৰ হস্পিতালত ডাক্টৰ নিযুক্তি দিয়া হৈছে কিন্তু কাম আৰম্ভ হোৱা নাই, কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : এই বিষয়ে বিবেচনা কৰি চাম ।

শ্ৰী আলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, ৩০ খন বিচনাযুক্ত ৫৩ খন হস্পিতাল সম্পূৰ্ণ কৰা বুলি মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে। কিন্তু এই ৫৩ খন হস্পিতালৰ ভিতৰত কিমানখন মুকলি কৰা হৈছে ? কিমানখনৰ বাবে চিকিৎসাৰ ব্যৱস্থা, ৰোগীক ৰখাৰ ব্যৱস্থা, হস্পিতালৰ অন্যান্য সা-সৰঞ্জাম আদি যুগুত কৰা হৈছে জনাবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : এই ৫৩ খন হস্পিতালৰ ভিতৰত বহুতো মুকলি কৰা হৈছে আৰু বহুতৰ বাবে আচবাৰ পত্ৰ আদিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

শ্ৰীহিতেশ ডেকা : অধ্যক্ষ মহোদয়, প্ৰতিখন ৩০ খন বিচনাযুক্ত হস্পিতালৰ বাবে ঔষধ পাতি আৰু যাৱতীয় আচবাব পত্ৰ যোগান ধৰা হৈছেনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): এই বিষয়ে মই আগতেই কৈছো। এই সম্পৰ্কত ব্যৱস্থা লৈ থকা হৈছে।

বিষয়ঃ মুগা উৎপাদন।

শ্ৰীবদন বৰুৱাই সুধিছে:

* ১০। মাননীয় ৰেচম, বোৱাকটা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত বছৰি কেচামাল হিচাপে মুগাৰ উৎপাদন কিমান?

(খ) অসমত বছৰি মুগা গুটি বা মুগা ক'কোনৰ চাহিদা কিমান?

(গ) অসম ৰাজ্যৰ ভিতৰতে উৎপাদন হোৱা মুগা গুটিয়ে অসমৰ যিসকল লোকে মুগা কাটি জীৱিকা নিৰ্ব্বাহ কৰে সেই সকলৰ চাহিদা পূৰণ কৰিব পাৰেনে?

(ঘ) যদি নোৱাৰে তেন্তে চাহিদা পূৰণ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

শ্ৰীবৰ্গৰাম দেউৰী (ৰেচম, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমত প্ৰতি বছৰে গড়ে ৫৬,৬২০ কেজি মুগা সূতা উৎপাদন হয়।

(খ) প্ৰায় ৪৫ কোটি মুগা লাট।

(গ) মুগা সূতা জীৱিকা নিৰ্ব্বাহ কৰা কাটনী সকলৰ চাহিদা পূৰণ হৈছেনে নাই সেই বিষয়ে এতিয়ালৈকে বিভাগৰ ফালৰ পৰা চাৰ্ভে কৰা হোৱা নাই।

(ঘ) চলিত বছৰত ৭০,০০০ কেজি মুগা সূতা উৎপাদনৰ লক্ষ্য অনুযায়ী ৪২ কোটি মুগা লাট উৎপাদন কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই লক্ষ্য যোৱা বছৰৰ সাফল্যৰ তুলনাত ১ কোটি বেছি।

শ্ৰীবদন বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে অসমৰ পৰা বাহিৰলৈ কিমানখিনি মুগা গুটি পঠোৱা হয়? শোৱালকুছি অঞ্চলৰ যিবোৰ গাৱঁত বহুতো শিপিনীয়ে মুগা কাটি নিজৰ তথা পৰিয়ালৰ জীৱিকা নিৰ্বাহ কৰি আছিল, আমি জনাত চৰকাৰ বা ৰেচম বিভাগে এতিয়া সেই মুগা কাটি জীৱিকা নিৰ্বাহ কৰা শিপীনি সকলৰ চাহিদা

পুৰণ কৰিব পৰা নাই যাৰ কাৰণে এই শিপিনীসকল অসুবিধাত পৰিছে। চৰকাৰে এই বিষয়ে কি চিন্তা কৰিছে জনাবনে ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰথমতে যিটো প্ৰশ্ন কৰিছে যে কিমান মুগা বাহিৰলৈ পঠোৱা হৈছে সেইটো অসমৰ পৰা বাহিৰলৈ পঠোৱাৰ কথা কৈছে নে অসমৰ এঠাইৰ পৰা আন ঠাইলৈ পঠোৱাৰ কথা কৈছে ?

শ্ৰীবদন বৰুৱা : অসমৰ পৰা বাহিৰলৈ কিমান পঠোৱা হৈছে ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পৰা বাহিৰলৈ কিমান মুগা গুটি পঠোৱা হৈছে তাৰ কোনো হিচাপ সদ্যহতে মোৰ হাতত নাই।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা মন কৰিবনে যে উজনি অসমত গেচ সিচৰিত হৈ পৰাৰ কাৰণে যি সকল ব্যক্তিয়ে মুগা পুহি জীৱিকা নিৰ্ব্বাহ কৰিছিল সেই লোক সকল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। অ', এন, জি, চিৰ গেচৰ কাৰণে এই উদ্দেশ্যটো ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ দ্বাৰা উজনি অসমত কিমান মুগা পোহা লোক ক্ষতিগ্ৰস্ত হৈছে চৰকাৰে জনাবনে আৰু সেই লোকসকলক চৰকাৰৰ ফালৰ পৰা ক্ষতিপূৰণ দিয়াৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় উজনি অসম বা শিৱসাগৰ জিলাত অ', এন, জি, চিৰ 'এয়াৰ পলুচেন' ৰ কাৰণে কিমান মুগা পোহা লোকৰ উৎপাদন ক্ষতিগ্ৰস্ত হৈছে সেই বিষয়ে কোনো অভিযোগ পোৱা নাই। অভিযোগ পালে অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বিষয়টো পুনৰ বিবেচনা কৰিলে ভাল হয় নহলে সদনক বিপথে পৰিচালিত কৰা হব। যদিহে এইটো কথা প্ৰমানিত হয় যে শিৱসাগৰ বা উজনি অসমৰ মুগা পালক সকলে চৰকাৰৰ ওচৰত এই সম্পৰ্কে অভিযোগ দাখিল কৰাটো। মই জানো মুগা পালক সকলে চৰকাৰৰ ওচৰত এয়াৰ পলুচনৰ পৰা হোৱা ক্ষতিৰ বিষয়ে অভিযোগ দাখিল কৰি আহিছে। গতিকে মন্ত্ৰী মহোদয়ে সদনত যিটো কথা কৈছে যে অভিযোগ পোৱা নাই বুলি সেইটো পুনৰ বিবেচনা কৰিব লাগে। নহলে সদনক বিপথে পৰিচালিত কৰা বা ভুল তথ্য দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে পদত্যাগ কৰিব লগা হব পাৰে।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই কব খুজিছো যে তেনে অভিযোগ এই পৰ্য্যন্ত মোৰ দৃষ্টিগোচৰ হোৱা নাই।

শ্ৰীপ্ৰমোদ গগৈ: মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে ক্ষতিগ্ৰস্ত লোকে স্মাৰকপত্ৰ বিভাগক কেইবাবাৰো দিছে। বিভাগে এই বিষয়ে জানিছেনে নাই? কিবা প্ৰতিকাৰক ব্যৱস্থা লৈছেনে নাই? আজি আপুনি বিভাগীয় মন্ত্ৰী হৈ আছে কালিলৈ আপুনি নেথাকিবও পাৰে।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, স্মাৰকপত্ৰ হিচাবে মই নিজে পোৱা নাই। বিভাগে যদি পাইছে সেই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

Shri Haliram Terang: Sir that this matter is being discussed in the present session of parliament এই সদনটো মুগা লৈ আলোচনা কৰা হৈছে। প্ৰশ্ন উত্তৰ চলিছে। মন্ত্ৰী মহোদয়ে এই বিষয়টো ভালদৰে অনুসন্ধান কৰি এনুৱেলী কিমান লোক ক্ষতিগ্ৰস্ত হৈছে উলিয়াব লাগে।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অনুসন্ধান কৰা হব।

বিষয়: ২০০ খন বিছনাযুক্ত চিকিৎসালয়ৰ উন্নতিকৰণ।

শ্ৰীনগেন শৰ্ম্মাই সুধিছে:

*১১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) নলবাৰীৰ অসামৰিক চিকিৎসালয় খন (নলবাৰী চিভিল হস্পিতাল) ২০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নতি কৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি গৃহ নিৰ্ম্মানৰ কাম আৰম্ভ কৰাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে গৃহ নিৰ্মাণৰ কামৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে? আৰু বৰ্ত্তমানলৈ কিমান টকা মুকলি কৰি দিয়া হৈছে?

(গ) উক্ত গৃহ নিৰ্মাণৰ কাম কি কাৰণত বন্ধ হৈ আছে?

(ঘ) উক্ত গৃহ নিৰ্মাণ কেতিয়া সম্পূৰ্ণ কৰা হব?

শ্ৰীগৌতম ৰয় (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) গৃহ নিৰ্মাণৰ বাবে মুঠ ২৫৮,৩৪,০০০.০০ (দুই কোটি আঠাৱন্ন লাখ চৌত্ৰিশ হাজাৰ) টকা প্ৰশাসনীয় অনুমোদন দিয়া হৈছে। বৰ্ত্তমানে মুকলি কৰি দিয়া টকাৰ পৰিমাণ গড়কাপ্তানী বিভাগৰ পৰা পোৱা নাই।

(গ) আৱশ্যকীয় পুজি আৰু সামগ্ৰীৰ অভাৱৰ বাবে বৰ্ত্তমান গৃহ নিৰ্মাণৰ কাম বন্ধ আছে।

(ঘ) আৱশ্যকীয় পুজিৰ ওপৰত নিৰ্ভৰ কৰে।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ একমাত্ৰ অসামৰিক চিকিৎসালয়খন ২০০ খন বিচনাযুক্ত হস্পিটেললৈ উপনিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। এই টকা লেনত ধৰা হৈছে। কাম আৰম্ভ কৰা হৈছে। এই টকা আন ঠাইলৈ ডাইভাৰ্ট কৰিব নোৱাৰে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে এই হস্পিটেলখনৰ কাৰণে ২ কোটি ৫৮ লাখ ৩৪ হেজাৰ টকা অনুমোদন দিয়া হৈছে বা ধাৰ্য্য কৰা হৈছে? এই ধাৰ্য্য কৰা টকাখিনি কিয় মুকলি কৰি দিয়া হোৱা নাই?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা স্পষ্ট যে এটা প্লেনত এখন চিকিৎসালয়ৰ কাৰণে এটা নিৰ্দ্দিষ্ট পৰিমাণৰ টকা আবণ্টন কৰা হৈছে। আচনি মতে কাম সম্পুৰ্ণ হব লাগে আৰু টকাও খৰচ কৰিব লাগে। এই চিকিৎসালয়ৰ কাৰণে যি টকা ধাৰ্য্য কৰা হৈছে সেই টকা কলৈ গ'ল মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰিব লাগিব।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় বিষয়টো অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে চলিত অধিৱেশনতে জনাবনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো মই অনুসন্ধান কৰি জনাম।

শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে গোলাঘাট চিভিল হস্পিটেলখনক ২০০ খন বিচনাযুক্ত হস্পিটেললৈ

উন্নিতকৰণৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা লৈছে ।

শ্ৰীগৌতম বৰা (ৰাজিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা স্থকীয়া প্ৰশ্ন ।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, নলবাৰীৰ ২০০ খন বিচনাযুক্ত চিভিল হস্পিটেলৰ কথা আলোচনা কৰোতে মন্ত্ৰী মহোদয়ে কৈছে ২০০ খন বিচনাযুক্ত আন আন হস্পিটেলৰ প্ৰস্তাৱ বা অন্যান্য তথ্যপাতি লৈ আহিব লাগে । নলবাৰীৰ দৰে অসমৰ আন আন ঠাইত ২০০ খন বিচনাযুক্ত হস্পিটেলৰ আচনি চৰকাৰৰ ক'ত ক'ত আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই অনুসন্ধান কৰি পিচত জনাম ।

বিষয় : লাওপানী ৰাজ্যিক চিকিৎসালয় ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

* ১২। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) লাওপানী ৰাজ্যিক চিকিৎসালয়ত যোৱা দুবছৰ ধৰি কোনো ডাক্তৰ নথকাতো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত চিকিৎসালয়ত চিকিৎসক নিযুক্তি দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

(গ) ৰহাৰণখলি 30 bedded PHE খনি আৰু ফুলগুৰি মহগড় Mini PHE অদ্য পৰ্য্যন্ত কিয় কাৰ্য্যক্ষম হোৱা নাই ?

(ঘ) এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয় ।

(খ) ব্যৱস্থা লোৱা হৈছে ।

(গ) কাৰ্য্যক্ষম হোৱা নাই, কাৰণ গড়কাপ্তানী বিভাগে নিৰ্ম্মাণ কৰা ইয়াৰ ঘৰ সমূহ স্বাস্থ্য বিভাগক বৰ্ত্তমানলৈ হস্তান্তৰিত কৰা নাই ।

(ঘ) ব্যৱস্থা লৈ থকা হৈছে ।

শ্ৰীগহীন চন্দ্ৰ দাসঃ মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ লাওপানী ৰাজ্যিক চিকিৎসালয়ত যোৱা দুবছৰ ধৰি কোনো ডাক্তৰ নথকা কথাটো তেখেতে জানে, আৰু তেখেতৰ প্ৰশ্নৰ উত্তৰত কৈছে যে সঁচা নহয়। কিন্তু আমি জনা মতে আজি ২ বছৰ ধৰি তাত ডাক্তৰ নাই। ৰাইজে চৰকাৰক বহুবাৰ আবেদন নিবেদন কৰিছে কিন্তু তাত ডাক্তৰ দিয়া নাই। কিন্তু সেইটো কথা মন্ত্ৰী মহোদয়ে কেনেকৈ কৈছে আমি নেজানো। কথাটো মন্ত্ৰী মহোদয়ে ভালকৈ বুজাই কলে ভাল পাম।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬।২।৯১ তাৰিখৰ আগলৈকে লাওপানী ৰাজ্যিক চিকিৎসালয়ত নিয়মীয়া ভাৱে ডাক্তৰ পৰেশ শৰ্মাক নিযুক্তি দিয়া হৈছিল। যোৱা ১৬।২।৯১ তাৰিখত চৰকাৰৰ এইচ, এল, এ ১২০।৯০।২৩৮ এই চিঠিৰ মৰ্মে ডাঃ মিচ অনিমা গগৈ নামৰ এগৰাকী মহিলা ডাক্তৰক নিযুক্তি দিয়া হয় কিন্তু ডাঃ গগৈয়ে চাকৰিত যোগদান নকৰা হেতুকে পুনৰ চৰকাৰৰ চিঠিৰ নং এইচ এল, এ ১০২৩।৯০।৮৬ তাৰিখ ১৩।৮।৯১ মৰ্মে ডাঃ লক্ষী প্ৰসাদ বৰাক পুনৰ সেই পদত নিযুক্তি দিয়া হয়।

ৰহাৰ নখলি ৩০ খন বিচনাযুক্ত পি, এইচ, চি আৰু মহাগড় মিনি পি, এইচ, চি খন এতিয়াও কাৰ্য্যক্ষম হৈ নুঠা কথাটো সঁচা। কাৰণ বিভাগীয় ঘৰ সমূহ পি, ডব্লিউ, ডিয়ে আজি পৰ্য্যন্ত কাম সম্পূৰ্ণ কৰি দিব নোৱাৰা হেতুকে দুয়োখন পি, এইচ, চি আজিলৈকে কাৰ্য্যক্ষম কৰিব পৰা নাই। এই বিষয়ে পি, ডব্লিউ, ডি বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। গড়কাপ্তানী বিভাগে নিৰ্মান কৰা ঘৰ সমূহ স্বাস্থ্য বিভাগক হস্তান্তৰ কৰাৰ পিচত আৱশ্যকীয় আচবাব আদি ক্ৰয় কৰি অতি সোনকালে দুয়োটা স্বাস্থ্য কেন্দ্ৰ কাৰ্য্যক্ষম কৰিবলৈ যত্ন কৰা হব।

শ্ৰীগহীন চন্দ্ৰ দাসঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে যিজন ডাক্তৰক নিযুক্তি দিছে সেইজনে তাত চাকৰি কৰেনে অন্য কৰবাত চাকৰি কৰে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰিব লাগিব।

শ্ৰীগহীন চন্দ্ৰ দাসঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা চাপলিমেণ্টৰী সুধিব বিচাৰিছো, সেই ৰাজ্যিক চিকিৎসালয়খনত এতিয়াও ডাক্তৰ নাই,

ডাক্তৰক এটেছটেট কৰি ৰখা হৈছে ৰাইজে কিন্তু চিকিৎসা পোৱা নাই। চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লৈছে নেকি চৰকাৰৰ পৰা জানিব বিচাৰিছো।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই গোটেই বিষয়টো অনুসন্ধান কৰি চাব লাগিব।

### বিষয়: যোৰহাট অসামৰিক চিকিৎসালয়।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে:

* ১৩। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৰহাট অসামৰিক চিকিৎসালয়ত যোৱা বাজেট বৰ্ষত maintance ৰ শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(খ) চিকিৎসালয় খনৰ বিচনাবৰ্দ্ধিত কৰণৰ কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) : য়ে উত্তৰ দিছে :

(ক) যোৱা বাজেট বৰ্ষত যোৰহাট অসামৰিক চিকিৎসালয়ৰ maintanance ৰ বাবে ``২২১০ চিকিৎসা শিতানত কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

(খ) বৰ্ত্তমানে নাই। ভৱিষ্যতে পুজি সাপেক্ষে বিষয়টো বিবেচনা কৰা হ'ব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰত মন্ত্ৰী মহোদয়ে কি কৈছে সেইটো মই ভালকৈ ধৰিব নোৱাৰিলো।

মাননীয় অধ্যক্ষ ঃ আকৌ পঢ়ক।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : যোৱা বাজেট বৰ্ষত যোৰহাট অসামৰিক চিকিৎসালয়ৰ মেইনটেনচৰ বাবে ২২১০ চিকিৎসা শিতানত কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা চাপলিমেনটেৰী সুধিব বিচাৰো আশাকৰো তেখেতে ভালদৰে যথাযথ উত্তৰ দিব। তেখেত অৱশ্যে নতুন মন্ত্ৰী সম্পূৰ্ণ শুদ্ধ উত্তৰ দিব নোৱাৰিলেও ভালদৰে অনুসন্ধান কৰি পেলাই স্পেচিফিক উত্তৰ দিয়ে যেন। যোৰহাট অসামৰিক চিকিৎসালয়খন যথেষ্ট পুৰণা। তাত মৃতদেহ ৰক্ষাৰ ব্যৱস্থা নাই। কোনো পষ্টমৰটনৰ ব্যৱস্থা নাই। আপোনালোকে জানে যে তাত যোৱা দুৰছৰ আগতে

চিকিৎসালয়খনত মহিলাক বেয়া আচৰণ কৰিছে। এই হস্পিতেলৰ দুৱাৰ বিলাক ভগা সেই কাৰণে এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছে। নতুন চৰকাৰে এই ক্ষেত্ৰত কিছু টকা ধাৰ্য্য কৰিলে মহিলাসকলৰ নিৰাপত্তা ৰক্ষা কৰা হব। আৰু পষ্টমৰটনৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীগৌতম ৰৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, মহিলা সকলৰ নিৰাপত্তাৰ কাৰণে কনষ্ট্ৰাকচনৰ কাম সোনকালে কৰিলে ভাল হয়।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে ব্যৱস্থা লোৱা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, অসামৰিক চিকিৎসালয় আৰু চিকিৎসালয়ৰ কাৰণে কোনো অৰ্থাৎ মেনটেনেঞ্চৰ কাৰণে কোনো টকা ধাৰ্য্য কৰা নাই বুলি মন্ত্ৰী মহোদয়ৰ প্ৰশ্নোত্তৰ কালত জানিব পাৰিলো। সেই কাৰনে একো একোটা শ্লাম এৰিয়াত কিবা ব্যৱস্থা লব পাৰিব নেকি?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীআব্দুল জেলিল ৰাগিবী: মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত বিভিন্ন জিলাত স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰি আৰু তাত কি নৰমচ কৰা হৈছে তাক অনুসন্ধান কৰি জনাবনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰি জনাম।

শ্ৰীগহীন চন্দ্ৰ দাস: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক চিকিৎসালয় বিলাকত ডাক্তৰ নিযুক্তি দিলে চাকৰি কৰিবলৈ নেযায়, তেওঁলোকে গাওঁৰ অঞ্চলত চাকৰি কৰিবলৈ বেয়া পায়। আজি কিছু দিনৰ পৰা এনে অৱস্থা চলি আহিছে। মন্ত্ৰী মহোদয়ে তাৰ কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): এই বিষয়ে বিবেচনা কৰি থকা হৈছে।

## বিষয়: খণ্ড উন্নয়ন কমিটি গঠন

শ্ৰীবুবুল দাস।

* ১৪। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) খণ্ড উন্নয়ন সমন্বয়ৰক্ষী কমিটি সমূহ গঠন কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(খ) উক্ত কমিটি সমুহত বিধায়ক সকলক চেয়াৰমেন আৰু সদস্য হিচাৰে নিযুক্তি দিয়া হৈছে নেকি ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) খণ্ড উন্নয়ন সমন্বয়ৰক্ষী কমিটি (B. L. C. C.) সমুহ গঠন কৰি যাৱতীয় অধিসূচনা প্ৰকাশ কৰাৰ ব্যৱস্থা লোৱা হৈছে ।

(খ) হয় ; অধিকাংশতেই দিয়া হৈছে ।

শ্ৰীবাবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে প্ৰতিখন খণ্ড উন্নয়নৰ ক্ষেত্ৰত বিধায়ক সকলক চেয়াৰ-মেন আৰু সদস্য হিচাবে নিযুক্ত দিয়া হৈছে । চেয়াৰমেন আৰু সদস্য কেনেকৈ নিযুক্তি দিয়া হৈছে জনাবনে ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি অনুযায় গোটেই কেইটা ব্লকৰ পৰা যিজনৰ অংশ বেচি পৰে তেওঁক চেয়াৰমেন কৰা হয় আৰু বাকী সকলক সদস্য কৰা হয় । দুজন বিধায়কৰ মাজত যিজন ব্লকৰ হেডকুৱাটাৰত বা বেচি অংশ পৰে তেওঁক চেয়াৰমেন কৰা হয় অন্যজনক সদস্য পতা হয় ।

শ্ৰীমিশন ৰঞ্জন দাস : মহোদয়, কিছু কিছু ব্লকে বি, এল, সি, সি গঠন করা হয়েছে এবং কিছু কিছু ব্লকে বি, এল, সি, সি, গঠন করা হয়নি । যে সমস্ত ব্লকে বি, এল,, সি, সি, গঠন করা হয়েছে, সেই সব ব্লকে যাদেরে মেম্বাৰ করা হয়েছে তাদেরে চেয়ারম্যানর সঙ্গে কনসাল্ট করে মেম্বার করা হয়েছে কি ।

তার, যে সমস্ত ব্লকে বি.এল, সি, সি গঠন করা হয়নি বিধায়কদের সঙ্গে পরামর্শ করে যেগুলোতে কমিটি গঠন করা হবে কি ?

আমার ২য় প্রশ্ন হলো যে সমস্ত ব্লকে বিধায়কদেরে চেয়ারম্যান করে বি এল, সি, সি, গঠন করা হয়েছে সেখানে সদস্য নির্বাচনের ব্যাপারে বিধায়কের সঙ্গে পরামর্শ করে করা হয়েছে না দলীয় রাজনীতির স্বার্থ লক্ষ্য রেখে করা হয়েছে ? যারা মেম্বর হয়েছেন তারা কি বিশেষ রাজনৈতিক দলের লোক বলে

হয়েছেন না সমাজ সেৱায় নিযুক্ত রয়েছেন বলে করা হয়েছে- সেটা আমি মন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই।

শ্রীআফজালুর রহমান (মন্ত্রী) : অধ্যক্ষ মহোদয় বিধায়কদেরে যে বি, এল, সি, সি,র চেয়ারম্যান করতে হবে সে রকম কোনও নির্দিষ্ট নিয়ম নাই। তবে গণতান্ত্রিক দৃষ্টিভঙ্গী থেকে ৰি, এল, সি, সি,তে বিধায়কদেরে চেয়ারম্যান করা হয়। এই ব্যাপারে কোনও দলীও স্বার্থের প্রশ্নই উঠে না। আসল কথাটা হলো যে এইসব কমিটিতে বিভিন্ন জনগোষ্ঠীর মানুষ প্রকৃতভাৱে প্রতিনিধিত্ব করতে পারছে কিনা এবং অনুসুচীত জাতি, জনজাতি ৰা প্রতিনিধিত্ব পাচ্ছে কি না— সেটাই আসল ৰিচার্য্য ৰিষয়।

## Undisposed Starred Questions.

( Starred question Numbers 15 to 20 were not Called for want of time. However written replies deemed to have been laid on the Table as follows. )

বিষয় : নগাওঁ চিভিল হস্পিতাল স্থানান্তৰীন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে :

* ১৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) নগাওঁ চিভিল হস্পিতালখন স্থানান্তৰৰ প্রচেষ্টাৰ ৰিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, কোন চনৰ কোন তাৰিখে স্থানান্তৰৰ কাম সম্পূর্ণ হৰ ?

(গ) নগাওঁ জিলাৰ মহখুলি, অঞ্চলতে এই চিকিৎসালয় নির্ম্মান কৰি থকা হৈছেনে ?

(ঘ) যদি হৈছে, কেতিয়া, আৰু নির্ম্মাণ কার্য্য শেষ কেতিয়া হব ?

মাননীয় স্বাস্থ্য ৰিভাগৰ ৰাজ্যিক মন্ত্রী শ্রীগৌতম বৰা মহোদয়ে উত্তৰ দিব :

(ক) হয়।

(খ) এতিয়া সঠিককৈ কব পৰা নাযায়।

(গ) হয়।

(ঘ) ১৯৮৭ চনত নির্ম্মাণ কার্য্য আৰম্ভ হৈছে আৰু কেতিয়া শেষ হৰ এতিয়া সঠিককৈ কৰ পৰা নেযায়।

বিষয় ঃ ধনশিৰি মহকুমাৰ চিকিৎসালয় ।

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

* ১৬। মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধনশিৰি মহকুমাত ১০০ খন বিচনাযুক্ত হস্পিতালৰ প্ৰস্তাৱ চৰকাৰৰ ঘৰত আছে নে ?

(খ) যদি আছে কাৰ্য্যকৰী কেতিয়াৰ পৰা কৰিব ?

(গ) সৰুপথাৰ সমষ্টিৰ মৰঙ্গী মৌজাৰ ৩০ খন বিচনাযুক্ত আৰু বৰপথাৰ মৌজাৰ ৩০ খন বিচনাযুক্ত হস্পিতালৰ প্ৰস্তাৱ চৰকাৰে বিচৰা কথাটো সঁচানে ?

(ঘ) যদি সঁচা কিয় কাৰ্য্যকৰী হোৱা নাই ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ধনশিৰি মহকুমাৰ সদৰ ঠাইত চৰকাৰৰ নীতি অনুসাৰে এখন ১০০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন হব লাগে । কিন্তু বৰ্ত্তমানে কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই ।

(খ) প্ৰস্তাৱটো পুজি সাপেক্ষে সময়ত কাৰ্য্যকৰী কৰা হব।

(গ) নাই।

(ঘ) প্ৰশ্ন নুঠে ।

**Re: Buses plied from Tangla to Guwahati.**

Shri Karendra Basumatari asked :

*17. Will the Minister Transport be pleased to State:

(a) How many A. S. T. C. Buses are plied from Tangla to Guwahati ?

(b) Whether it is a fact that the number of buses now plied is inadaquate to meet the demand of the passanger ?

(c) Whether Government proposed to ply more buses considering the backwardness of the locality and in view of the fact that the area is mostly inhabited by Tribals.

Shri Siba Sambhu Ojha (Minister Transport) replied :

(a) At Present A. S. T. C. is operating one buses from Tangla to Guwahati.

(b) The number of private buses and A. S. T. C. buses put together appear to be adequate as on today.

(c) Government will consider to increase the number of Buses if road conditions and traffic requirements so demand.

বিষয়ঃ জয়পুৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ।

শ্ৰীনজমূল হকে সুধিছে :

*১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ ৰালিজানী উন্নয়ন খণ্ডৰ অন্তৰ্গত ঝুনকাইপাৰা গাওঁ পঞ্চায়তৰ অধীনস্থ "জয়পুৰ" স্বাস্থ্য কেন্দ্ৰ"ৰ ঘৰ নিৰ্ম্মানৰ কাম খিনি কিমানদুৰ সম্পূৰ্ণ হৈছে ?

(খ) জয়পুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু সম্পুৰ্ণ টকাৰ কাম শেষ কৰা হৈছে নে ?

(গ) জয়পুৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটো বিচনাযুক্ত হবনে ?

(ঘ) জয়পুৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটো কেতিয়া উদ্বোধনী কৰা হৰ ?

শ্ৰীগৌতম ৰয় (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) গোৱালপাৰা জিলাৰ বালিজান উন্নয়ন খণ্ডৰ অন্তৰ্গত জয়পুৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে আৰু ৰৰ্ত্তমানলৈ মুল প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহৰ প্ৰায় ৬০% (ষাঠী শতাংশ) কাম সম্পূৰ্ণ হৈছে।

(খ) জয়পুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ ৰাবদ মুঠ ১১ ২৮,৫০০.০০ (এঘাৰ লাখ আঠাইশ হাজাৰ পাচশ) টকা অনুমোদন কৰা হৈছে। ধাৰ্য্য কৰা সম্পুৰ্ণ টকাৰ কাম এতিয়ালৈকে শেষ হোৱা নাই।

(গ) নহয়।

(ঘ) গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পিচত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো চিকিৎসা সেৱাৰ ৰাবে মুকলি কৰা হব।

বিষয়: গুৱাহাটী মেডিকেল কলেজ হস্পিতেলত ঔষধ পাতি।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে:

*১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ৩০।৬।৯১ তাৰিখৰ পৰা ২৫।৮।৯১ তাৰিখলৈ গুৱাহাটী মেডিকেল কলেজ হস্পিতেলত সৰ্ব্বমুঠ কিমান টকাৰ ঔষধ পাতি আৰু চিকিৎসাৰ অন্যান্য সামগ্ৰী যেনে বেন্দেজ আদি যোগান ধৰা হ'ল?

(খ) সমগ্ৰ ৰাজ্যখনত ১৯৯০ চনৰ ১ লা ডিচেম্বৰৰ পৰা ১৯৯১ চনৰ ১ লা আগষ্টলৈ সৰ্ব্বমুঠ কিমান টকাৰ ঔষধ পাতি চিকিৎসালয় সমূহত যোগান ধৰা হৈছিল? (জিলা ভিত্তিত তালিকা এখন সদনত দাখিল কৰিব)

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (স্বাস্থ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৩০।৬।৯১ তাৰিখৰ পৰা ২৫।৮।৯১ তাৰিখলৈ গুৱাহাটী মেডিকেল কলেজ হস্পিতেলৰ বাবে ঔষধ কিনাৰ বাবদ ৩৭ ৩৪, ৩৮৫.৭০ টকা আৰু বেন্দেজ আদি চিকিৎসাৰ অন্যান্য সামগ্ৰী কিনাৰ বাবদ ৬৭,২৬,৩৪৭.১৯ টকা খৰছ কৰা হৈছে।

(খ) ৰাজ্যখনত ১৯৯০ চনৰ ১ লা ডিচেম্বৰৰ পৰা ১৯৯১ চনৰ ১ লা আগষ্টলৈ সৰ্বমুঠ ৪,৪৯,৪৬,০০০.০০ টকাৰ ঔষধপাতি যোগান ধৰা হয়। (জিলা ভিত্তিত তালিকা সদনত দাখিল কৰা হ'ল)

(See the list at Annexure III)

বিষয়: গেষ্ট্ৰোএণ্টাৰাইটিচ ৰোগত মৃত্যু।

ডাঃ কমলা কলিতাই সুধিছে:

*২০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

১৯৯১ ইং চনৰ ১ জুলাই তাৰিখৰ পৰা বৰ্ত্তমানলৈ ৰাজ্যখনত কিমানজন লোকে গেষ্ট্ৰোএণ্টাৰাইটিছ ৰোগত মৃত্যু বৰণ কৰিব লগা হ'ল? (সংখ্যা সমূহ জিলা ভিত্তিত দিব)

মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী

শ্ৰীগৌতম বড়া মহোদয়ে উত্তৰ দিব :

গ্ৰেষ্ট্ৰোএণ্টাৰাইটিচ ৰোগত ১৯৯১ চনৰ জুলাই মাহত মৃত্যু বৰণ কৰা মানুহৰ সংখ্যা আৰু জিলাসমূহ হ'ল—

| | | |
|---|---|---|
| (১) | কোকৰাঝাৰ (চিদলী স্বাস্থ্য কেন্দ্ৰ) .... .... .... .... .... | ১৩ জন |
| (২) | বঙ্গাইগাওঁ (গোৱালপাৰা জিলাৰ অন্তৰ্গত) .... .... .... | ১৯ জন |
| (৩) | গোৱালপাৰা (নিউ ৰঙাইগাওঁৰ ওচৰত ভাওৰা গুলী) .... .... | ৬ জন |
| (৪) | ৰৰপেটা (পালজহী আৰু পথাৰ ভাঙ্গাগাওঁ).... .... .... .... | ১৮ জন |
| (৫) | ধুবুৰী .... .... .... .... .... .... .... .... .... .... | ১০ জন |
| (৬) | নগাওঁ .... .... .... .... .... .... .... .... .... .... | ৩৩ জন |
| (৭) | কাৰ্বি আংলং .... .... .... .... .... .... .... .... .... | ২৬ জন |
| (৮) | যোৰহাট .... .... .... .... .... .... .... .... .... | ৪ জন |
| | মুঠ— | ১২৯ জন |

গ্ৰেষ্ট্ৰোএণ্টাৰাইটিচ ১৯৯১ চনৰ আগষ্ট মাহত মৃত্যু বৰণ কৰা মানুহৰ সংখ্যা আৰু জিলা সমূহ—

| | | |
|---|---|---|
| (১) | নলবাৰী (বৰনিৰাৰী স্বাস্থ্য কেন্দ্ৰৰ বৰনিৰাৰী আৰু বাটাবাৰী গাওঁত) | ৮ জন |
| | মুকালমুৱা স্বাস্থ্য কেন্দ্ৰৰ চৰ অঞ্চলত | ১০ জন |
| (২) | গোলাঘাট | ১২ জন |
| (৩) | শোনিতপুৰ (ৰাঙাপাৰা স্বাস্থ্য কেন্দ্ৰ অঞ্চলত) | ৪ জন |
| (৪) | ৰৰপেটা ( নগাও স্বাস্থ্য কেন্দ্ৰৰ পালাজহী আৰু জালাহ স্বাস্থ্য কেন্দ্ৰৰ চৰাইৰাৰী গাওঁত) | ৬ জন |
| (৫) | ধুবৰী | ১০ জন |
| (৬) | কামৰূপ ( গোবেশ্বৰ স্বাস্থ্য কেন্দ্ৰ অঞ্চলৰ ভূলাঝাৰত) | ৪ জন |
| | | ৫৪ জন |

ৰিষয় : দৰং জিলাৰ খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ড।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

১। মাননীয় খাদী আৰু গ্ৰামোদ্যোগ ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ পৰা খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডত এইবোৰ্ডৰ জন্মলগ্নৰে পৰা কেতিয়াবা কোনো সদস্য আছিল নে ? আৰু যদি আছিল কোন কোন আছিল আৰু কেতিয়া আছিল ?

(খ) খাদী আৰু গ্ৰামোদ্যোগৰ জৰিয়তে নিবনুৱা সংস্থাপনৰ বাবে ৰাজ্যখনত কি কি আঁচনি লোৱা হৈছে ? (দৰং জিলাত লোৱা আঁচনি বেলেগে দেখুৱাব)

(গ) ১৯৯০-৯১ চনৰ ৰাষ্ট্ৰপতি শাসনৰ সময়ত এই বিভাগে লোৱা লোকহিতৈষী আঁচনি কি আছিল আৰু আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ল ?

শ্ৰীশিৱশম্ভু ওজা (খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় আছিল। খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডৰ জন্মলগ্নৰে পৰা বোৰ্ডৰ সদস্য নিযুক্তি হোৱা দৰং জিলাৰ ব্যক্তি সকল হ'ল :

| | | | |
|---|---|---|---|
| ১। | শ্ৰীগহন চন্দ্ৰ গোস্বামী | — | ইং -১৯৫৮-৬০ চন। |
| ২। | শ্ৰীপানীৰাম দাস | — | ১৯৬০-৬৩ চন। |
| ৩। | শ্ৰীনাৰায়ণ ভুঞা | — | ১৯৬০-৬৩ চন। |
| ৪। | শ্ৰীবিষ্ণুলাল উপাধ্যায় | — | ১৯৭০-৭৫ চন। |
| ৫। | শ্ৰীথুলেশ্বৰ হাজৰিকা | — | ১৯৭৩-৭৫ চন। |
| ৬। | শ্ৰীবিমল চন্দ্ৰ বৰা | — | ১৯৭৩-৭৪ চন। |
| ৭। | শ্ৰীবিনয় বসুমতাৰী | = | ১৯৭৮-- চন। |
| ৮। | শ্ৰীমতী স্বৰ্ণলতা মহন্ত | — | ১৯৭৮-৮০ চন। |
| ৯। | শ্ৰীকোষেশ্বৰ বৰা | — | ১৯৮৩-৮৪। |

(খ) খাদী আৰু গ্ৰামোদ্যোগৰ জৰিয়তে নিবনুৱা সংস্থাপনৰ বাবে ৰাজ্যখনত খাদী (কপাহী, ৰেচম, পলি, বস্ত্ৰ) উদ্যোগৰ উপৰিও বিভিন্ন নিম্ন লিখিত গ্ৰামোদ্যোগ আঁচনি সমূহ লোৱা হৈছে।

১। মৌ পালন উদ্যোগ।

২। তেল ঘানী উদ্যোগ।

৩। গুড় খান্দচাৰী উদ্যোগ।

৪। মৃৎ শিল্প উদ্যোগ।

৫। কুটীৰ জুইশলা উদ্যোগ।

৬। চামৰা উদ্যোগ।

৭। বাঁহ-বেতৰ উদ্যোগ।

৮। হাত কাকত উদ্যোগ।

৯। চাবোন উদ্যোগ।

১০। কমাৰ আৰু বাঢ়ৈ শিল্প।

১১। আহঁ উদ্যোগ।

১২ বিভিন্ন ঔষধ জাতীয় গছ সংৰক্ষণ।

১৩। ফল সংৰক্ষণ।

১৪। ধানবনা, বিস্কুত, চিৰা প্ৰস্তুত কৰণ।

১৫। চক উদ্যোগ।

ওপৰোক্ত তালিকা ভূক্ত উদ্যোগৰ ভিতৰত দৰং জিলাত থকা গ্ৰামোদ্যোগ সমূহ হ'ল:

১। মৌ পালন উদ্যোগ।

২। তেলঘানী উদ্যোগ।

৩। গুড় খান্দচাৰী উদ্যোগ।

৪। মৃৎ শিল্প উদ্যোগ

৫। চামৰা উদ্যোগ।

৬। বাহ·বেতৰ উদ্যোগ।

৭। চাবোন উদ্যোগ।

৮। কমাৰ আৰু বাঢ়ৈ শিল্প।

৯। আহঁ উদ্যোগ।

১০। ফল সংৰক্ষণ।

১১। ধানবনা বিস্কুত, চিৰা প্ৰস্তুত কৰণ উদ্যোগ।

১২। চক উদ্যোগ।

বিভাগীয় ভাবেও খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডে ছিপাঝাৰ, বড়িগাওঁ, দিঘীৰপাৰ আৰু ওদালগুৰিত খাদী উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে, ততুপৰি মৌ পালন উন্নয়ণ কেন্দ্ৰ টংলা, আউলাচক, পানেৰী, কলাইগাওঁ ডুনি আৰু ওদাল-গুৰি, টংলা আৰু মঙ্গলদৈত খাদী ভাণ্ডাৰ প্ৰায় দহবছৰ আগৰ পৰাই চলাই

থকা হৈছে। ইয়াৰোপৰি বিভিন্ন গ্ৰামোদ্যোগ আঁচনিৰ গোট স্থাপনৰ বাবে দৰং জিলাৰ স্থানীয় লোকক খাদী আয়োগৰ নিয়ম নীতি অনুসৰি বিত্তীয় ঋণ আৰু অনুদান আগবঢ়োৱা হৈছে।

(গ) ৰাষ্ট্ৰপতি শাসনৰ সময়ত (১৯৯০ চনৰ নৱেম্বৰ মাহৰ পৰা ১৯৯১ চনৰ জুন মাহলৈ) খাদী আৰু গ্ৰমোদ্যোগৰ প্ৰচলিত আঁচনি সমূহকে প্ৰয়োগ কৰা হৈছিল। আন বিশেষ আচনি লোৱা নাই।

**Re : Schemes under Khadi & Village Industries.**

Shri Karendra Basumatari asked :

2. Will the Minister, Khadi & Village Industries be pleased to State :

(a) What are the schemes undertaken or proposed to undertake by Government to popularise the benefit in the District of Darrang ?

(b) Whether the schemes like establishment of Gobar Gas and other are there in the Panery Constituency of Darrang District ?

(c) If so how many ?

Shri Siva Sambhu Ojha ( Minister Khadi & Village Industries) replied :

(a) Khadi and Village Industries Schemes undertaken in Darrang District are as follows :

Under Khadi Industries : One Khadi Production Centre at Sipajhar, One Khadi Production Centre at Udalguri, One khadi Gramodyog Bhandar at each Mangaldoi and Tangla, One Sub-Khadi Production Centre each at Borigaon and Dighirpar are functioning.

Under Village Industries: Be keeping Development Centre have been established one each at Panery, Tangla, Kaligaon, Duni, Udalguri and Aolachowka. Besides one Gur Khandsari Centre is established at Udalguri.

Beneficieries in Darrang District.

250 units of pottery industry, 30 units of cane and bamboo industries, 25 units of carpentry and Blacksmithy industry, 6 units of village oil industry 7 units of Leather industry 8 units of processing of cereals and pulses industry, 6 units of chalk making industries and 4 units of Fibre industries have been provided financial assistance in form of loan and grants.

Proposed schemes in Darrang District.

One Bee keeping Development Centre is proposed to be established at Rowta. Further it is proposed to provide financial assistance in form of loan and grants under the village Industries scheme covering 14 industries (List enclosed) (Actual List of beneficieries will be prepared after obtaining individual application). (See the list at Annexure II).

(b) Assam Khadi & Village Industries Board is not implementing Gobar Gas project.

(c) Does not arise.

**Re: A. S. T. C. City Buses.**

Shri Nazmul Haque asked:

3. Will the Minister, Transport be pleased to State:

(a) What measures have been taken in providing A.S.T.C. City Buses at Lokhra Road (Route), Guwahati for which lakhs of People are fighting under the banner of Lokhra Road City Bus Sangram Samiti since long ?

Shri Shio Sambhu Ojha (Minister of Transport) replied :

(a) Lakhra Garpandu and Lakhra-Kachari routes are offerred to private bus operators exclusively and hence no A.S.T.C. bus has been provided.

বিষয় : প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৪। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনত নিৰ্ম্মাণ কৰি থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মুঠ সংখ্যা কিমান ?

(খ) উক্ত স্বাস্থ্যকেন্দ্ৰবোৰৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগৌতম ৰয় (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৪৬ খন।

(খ) গড় কাপ্তানী বিভাগক নিৰ্ম্মাণ কৰিবলৈ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে। উক্ত বিভাগৰ মুৰব্বী বিষয়া সকলৰ লগত আলোচনা কৰা হৈছে আৰু নিৰ্ম্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে তাগিদা দিয়া হৈছে।

বিষয় : জনস্বাস্থ্য উপকেন্দ্ৰৰ কৰ্মচাৰী।

শ্ৰীবদন বৰুৱাই সুধিছে :

৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জন স্বাস্থ্য উপকেন্দ্ৰত কিমান গৰাকী কৰ্ম্মচাৰী থাকে ?

(খ) তেওঁলোকে কি দায়িত্ব পালন কৰিব লাগে ?

(গ) তেওঁলোকৰ দৰমহাৰ নিৰিখ কি কি ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জনস্বাস্থ্য উপকেন্দ্ৰত দুগৰাকী কৰ্মচাৰী থাকে।

যেনে— (১) ধাত্ৰী সহকাৰী (F/A)

(২) ধাত্ৰী (ANM)

(খ) স্বাস্থ্য উপকেন্দ্ৰৰ প্ৰাৰম্ভিক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে মাতৃ আৰু শিশুৰ প্ৰতিষেধক চিতা আৰু বেজি দিয়াটোৱেই ধাত্ৰীগৰাকীৰ মুখ্য কাম।

(গ) ধাত্ৰী গৰাকীৰ দৰমহা নিৰিখ হল ১১২৫/-ৰ পৰা ২২১৫/- টকা আৰু ধাত্ৰী সহকাৰীৰ মাননী হল মাহিলী ৫০/- টকা।

(Unstarred Question No. 6 was deferred)

বিষয় : নৈশ বাছ বন্ধ হোৱাৰ কাৰণ।

শ্ৰীবিনোদ গোৱালাই সুধিছে :

৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সৰু পথাৰৰ পৰা গুৱাহাটীলৈ চৰকাৰী নৈশ বাছ চলি থকাৰ পৰা বন্ধহোৱাৰ কাৰণ কি ?

(খ) সৰু পথাৰৰ পৰা গুৱাহাটীলৈ দিনৰ চৰকাৰী বাছ চলিথকাৰ পৰা বন্ধ হোৱাৰ কাৰন কি ?

শ্ৰীশিৱশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যথেষ্ট সংখ্যক যাত্ৰী নোপোৱা হেতুকে উক্ত বাছ সেৱা বন্ধ ৰখা হয়।

(খ) ঐ

(গ) ঐ

বিষয় : সৰু পথাৰ সমষ্টিৰ উপ স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীবিনোদ গোৱালাই সুধিছে :

৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে সৰুপথাৰ সমষ্টিত বৰ্ত্তমানলৈকে উপ-স্বাস্থ্য কেন্দ্ৰ কিমানটা মঞ্জুৰ কৰিছে ?

(খ) কিমান ধন মুকলি কৰা হ'ল আৰু কিমান মুকলি কৰা নাই ?
(গ) যদি ধন মুকলি কৰা হোৱা নাই কিয় হোৱা নাই জনাবনে ?
(ঘ) উপস্বাস্থ্য কেন্দ্র সমূহৰ ঘৰ ভাড়া বাবদ এতিয়ালৈ কিমান টকা দিয়া হ'ল ?
(ঙ) উপস্বাস্থ্য কেন্দ্র সমূহৰ সহায়িকা পাৰিশ্ৰমিক থিনি কিমান গৰাকীক দিয়া হ'ল আৰু কিমান গৰাকীক দিয়া হোৱা নাই ?
(চ) য়িবিলাকক দিয়া নাই কিয় দিয়া নাই ?

শ্ৰীগৌতম বৰা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :
(ক) সৰু পথাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ২১ টা উপস্বাস্থ্য কেন্দ্ৰ মঞ্জুৰ কৰা হৈছে ।
(খ) বৰ্ত্তমানলৈ ১১ টা উপ-স্বাস্থ্য কেন্দ্ৰ মুকলি কৰা হৈছে ।
(গ) নতুন মুকলি কৰিবলগীয়া উপস্বাস্থ্য কেন্দ্ৰৰ বিষয়ে সদ্যহতে তথ্য হাতত নাই ।
(ঘ) সৰু পথাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা উপ-স্বাস্থ্য কেন্দ্ৰৰ ঘৰ ভাড়াৰ বাবদ বৰ্ত্তমানলৈ ১৯৯০-৯১ চনত ১০,৯৫৬/- টকা দিয়া হৈছে ।
(ঙ) উপ-স্বাস্থ্য কেন্দ্ৰ সমূহৰ প্ৰতিস্থাপন হলে সহায়িকা সকলৰ পাৰিশ্ৰমিক দিয়া হব ।
(চ) প্ৰশ্ন নুঠে ।

Re : **Beneficiaries under S. P. T. D. C. and T. D. A**

Shri Karendra Basumatary asked :

10. Will the Minister, Welfare of Plains Tribes be Pleased to State :

(a) The names of beneficiaries under the state Plains Tribal Development Corporation and the Tribal Development Authority Schemes since the year 1985 to 1991 and the amount of money granted to them ?

(To be given year-wise)

(b) The number of other schemes executed during the period from 1985 to 1991 ?

(c) The amount of money proposed to be allotted in each ITDP area ?

(The Central assistance and State assistance to be given separately)

Shri Borgoram Deuri (Minister, WPT & BC) replied :

No. 10 (a), (b) and (c) : The required informations are being compiled. These will be laid on the table of the House, after compilation has been done.

## Discussion During Zero Hour

Mr. Speaker : Question Hour is over. Now zero Hour matter. I have received 9 zero Hour notices and, as Rule permits. I have selected three only.

First I have received one Zero Hour notice from the Honourable Member, Shri Sasha kamal Handique on 5.9.91 on a news item published in the 'Ajir Asom' dated 5.9.91 under the caption "Subidha Buji Mati Hastagata karar abhijog". Now, I call upon the Honourable member Shri Handique to speak on the matter.

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ অসমৰ ৫ চেপ্তেম্বৰ তাৰিখৰ কাকতত এটা বাতৰি ওলাইছে। বাতৰিটোৰ শীৰ্ষক এনেধৰণৰ 'সুবিধা বুজি মাটি হস্তগত কৰাৰ অভিযোগ'। গাওঁ অঞ্চলৰ দুখীয়া লোক আৰু চাহ বনুৱা উপান্তৰ খেতিয়কে বসবাস কৰা মাটি অসম চৰকাৰৰ ৰাজহ বিভাগৰ কিছু বিষয়া আৰু কৰ্ম্মচাৰীৰ সহযোগত মোদী নামৰ এজন ব্যৱসায়ীয়ে অবৈধভাবে হস্তগত কৰিছে আৰু আটাইতকৈ গুৰুত্বপুৰ্ণ কথা হৈছে এইমাটি বিলাক চিলিং উদ্বৃত্ত মাটি আৰু যুগ যুগ ধৰি সেই লোকসকলে বসবাস কৰি থকাৰ পিচতো মাটিৰ পট্টা কিন্তু তেওঁবিলাকে পোৱা নাই। অথচ মাটি তেনে

লোকৰ পৰা কিনি লোৱাৰ চাৰি মাহৰ ভিতৰতেই ব্যৱসায়ী জনে পুতেকৰ নামত নামজাৰি পৰ্য্যন্ত কৰি লৈছে। পূৰ্ব্বৰ চৰকাৰে দুখীয়া খেতিয়কৰ তেনে মাটি হস্তান্তৰিত, কিনা আদি কৰিব নোৱাৰিব বুলি এখন আইন জাৰি কৰিছিল আৰু কোনো ব্যৱসায়ী বা ধনী লোকে তেনে মাটি কিনিবলগীয়া হলে চৰকাৰৰ পৰা এই আইনৰ অধীনত অনুমতি লব লাগিব বুলি নিৰ্দ্দেশনা আছিল। কিন্তু জিলাৰউপায়ুক্তৰ পৰা অনুমতি লোৱাৰ আইনত থকা ব্যৱস্থা এইক্ষেত্ৰত কাৰ্য্যকৰী কৰা-হোৱা নাই। একচনা, তৌজী আদি মাটিত বসবাস কৰি থকা মাটি হস্তান্তৰিত কৰাৰ সময়ত উপায়ুক্তৰ অনুমতিৰ যি ব্যৱস্থা আছিল সেই ব্যৱস্থা এইক্ষেত্ৰত উলঙ্ঘা কৰা হৈছে। বিভিন্ন প্ৰকাৰৰ চল-চাতুৰি কৰি মাটি লৈছে। অথচ অতি দুখৰ বিষয় যি গৰীৱ খেতিয়কে ৩০-৪০ বছৰ ধৰি মাটিত বসবাস কৰি থাকিলেও তেওঁ মাটিৰ পট্টা নাপায়। সেই সকল দুখীয়া খেতিয়কে নামজাৰি কৰাৰ কাৰণে মণ্ডল কাননগুৰ পিছত এচ-ডি-চিক চালামী দিয়া ইত্যাদি কামত সৰ্ব্বস্বান্ত হব লগা হয়। অথচ ধনী ব্যৱসায়ী বিলাকে ৰাতিপুৱা মাটি কিনিছে আৰু গধূলি নামজাৰি কৰি লৈছে। ইয়াৰ উপৰিও চাহ বাগানৰ নামত চাহ শিল্পৰ নামত এনেদৰে মাটি লৈ দুখীয়া লোকক প্ৰৱঞ্চনা কৰা হৈছে। মই ৰাজহ মন্ত্ৰীৰ পৰা এই দিশত কি ব্যৱস্থা লৈছে স্পষ্ট ভাবে জানিব বিচাৰিছো আৰু যি সকল বিষয়া কৰ্ম্মচাৰী, কেৰাণীৰ ষড়যন্ত্ৰৰ কাৰণে এই দুখীয়া লোক সকল বঞ্চিত হৈছে সেই সকলৰ ওপৰত কিবা ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিবনে ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। চিলিং উদ্ধৃত তৌজী, একচনা আদি মাটিৰ কাৰণে দুই এক বছৰ প্ৰিমিয়াম দিয়াৰ পিচতো দুখীয়া লোক সকলৰ নামত ম্যাদী হোৱা নাই অথচ চাহ শিল্পৰ নামত ধনী ব্যৱসায়ীৰ হাতত মাটি হস্তান্তৰ কৰি দুখীয়া খেতিয়কক বঞ্চিত কৰা হৈছে। এই বিষয়ত ৰাজহ মন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই যিটো কথা দৃষ্টিগোচৰ কৰিছে সেইটো মই অৱশ্যে সদনলৈ অহাৰ আগতেই নোটিচ দিছিল নেকি নাজানো কিন্তু সদনত উপস্থিত হোৱাৰ পিচতহে পাইছো। আমাৰ বিভাগে কিন্তু আগতে দৃষ্টিপাত কৰিছে আৰু সেইমতে ইতিমধ্যে তিনিচুকীয়া জিলাৰ উপায়ুক্তক তদন্ত কৰি এটা প্ৰতিবেদন অতি শীঘ্ৰে পঠাবৰ কাৰণে কনোৱা হৈছে আৰু এই বিষয়ত কোনোবা

দোষী বুলি প্ৰমাণ পালে নিশ্চয় ব্যৱস্থা লম ।

শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ পৰা জানিব পাৰিছো যে এই ঘটনাৰ অনুসন্ধানত ব্যাঘাত জন্মোৱা কাৰণে ষড়যন্ত্ৰ চলিছে । গতিকে দোষী বিষয়াক শাস্তি দিয়াৰ ক্ষেত্ৰত যদি ৰাজনৈতিক হেচা আহি পৰে তেনেহলে চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : এই বিষয়ত কোনো ৰাজনৈতিক হেচা পৰা নাই আৰু তেনে হেচা পৰিলেও সেই হেচা নামানি নিশ্চয় ব্যৱস্থা লম ।

Mr. Speaker : I have received another notice from Honourable Member Shri Hiteswar Deka on 5.9.91 on a news item published in the "Ajir Asom" dated 5.9.91. regarding Kailor para punar hena niog". Now I Call upon Shri Deka to Speak on the matter.

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়,অসম বিধান সভাত আজি শূণ্য সময়ৰ ভিতৰতে এটা অতি গুৰুত্বপূৰ্ণ প্ৰসঙ্গ উত্থাপন কৰিব বিচাৰিছো । যোৱা কালিৰ বাতৰি কাকতত ওলাইছে যে অসমৰ গণতান্ত্ৰিক জনসাধাৰণৰ ওপৰত আকৌ এবাৰ যোৱা বছৰৰ ৰাষ্ট্ৰপতি শাসনৰ সময়ত অপাৰেশ্বন বজৰং আৰু অপাৰেশ্বন শেৰ-ই- দিলৰ নিচিনাকৈ সেনাবাহিনী মেলি দিবলৈ বিচাৰিছে । যোৱা ৰাষ্ট্ৰপতি শাসনৰ কাল ছোৱাত কেন্দ্ৰীয় চৰকাৰে মেলি দিয়া সেনাবাহিনীৰ কাৰ্যকলাপৰ যি আচোৰ আমাৰ ৰাইজৰ মনৰ পৰা মচা যোৱা নাই । আকৌ বাতৰি কাকতত ওলাইছে যে পুনৰ ৰাৰ সেনাবাহিনী নিয়োগ কৰা হব । আমি বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ত এটা স্পষ্টীকৰণ বিচাৰিছো । সৈন্য বাহিনী নিয়োগৰ ক্ষেত্ৰত বিভিন্ন বাতৰি কাকতত ওলাইছে বিভিন্ন বাতৰি প্ৰকাশ হৈছে । মুখ্যমন্ত্ৰীয়ে কৈছে সৈণ্য বাহিনীৰ ওপৰত খাতাং সিদ্ধান্ত লোৱা নাই । পুলিচ বাহিনী আছে বুলি কৈছে যদিও আজিৰ বাতৰি কাকততো এই বাতৰি পঢ়িবলৈ পাইছো । সেই কাৰণে সৈন্যবাহিনী নিয়োগ কৰা নকৰা সংক্ৰান্তত মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট কথা জানিব বিচাৰিছো ।

* Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য-মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া সৈন্য বাহিনী নিয়োগ কৰা সম্পৰ্কে আমি এতিয়াও খাটাং সিদ্ধান্ত লোৱা নাই। এইটো বিবেচনা কৰি থকা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো "চেন্টিনেল" কাকতত ওলাইছে যে অসম চৰকাৰে যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া, শোণিতপুৰ আৰু লক্ষীমপুৰ জিলাত সৈন্য বাহিনী নিয়োগ কৰাৰ কাৰণে ডিফেন্সক জনাইছে আৰু ৰিপোৰ্টত এইটোও কৈছে যে যোৱা কালি অসম চৰকাৰৰ অনুৰোধ ক্ৰমে ইউনিয়ম হোম মিনিষ্টাৰে অনুমোদন কৰিছে। এইটো সঁচা হয় নে নহয়।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় যোৱাকালি 'চেন্টিনেল' বাতৰি কাকতত ওলাইছে যে আপাৰ আসামৰ যোৰহাটত সৈন্য বাহিনী নিয়োগ কৰিবৰ কাৰণে সকলো ব্যৱস্থা হাতত লৈছে। সৈন্য বাহিনী নিয়োগ কৰাৰ আগতে চৰকাৰে ৰিকমেণ্ড কৰিব লাগে। চৰকাৰে এইটো কৰিছে নে নাই।

Whether a letter has been written to the union Government or military army in this regard.

আলফাৰ সমস্যাটো কেৱল আইন শৃঙ্খলা নহয় এইটো ৰাজনৈতিক সমস্যা হৈ পৰিছে। চৰকাৰে লুকাভাকু খেলিছে। সৈন্য বাহিনী নিয়োগ কৰি অসমীয় খিলঞ্জীয়া সকলক বিপদৰ সন্মুখীনৰ সৃষ্টি কৰিব বিচাৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনৰ আগত সত্য কথা কোৱাটো উচিত হব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো বিবেচনা কৰি থকা হৈছে। গৃহ মন্ত্ৰীয়ে যদি কিবা সিদ্ধান্ত লৈছে মই নাজানো। গৃহ মন্ত্ৰালয়ে মোলৈ ফোন কৰিছিল আৰু তেখেতে এই বিষয়ে মোক একো কোৱা নাই।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্বপূৰ্ণ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা স্বীকাৰ কৰিছে যে অসম চৰকাৰে ইউনিয়ন হোম মিনিষ্টাৰৰ লগত যোগাযোগ কৰিছে। আৰু আজি কাকতত এই কথাটো ওলাইছে যে—

According to the sources, the state Government has sent a requisition letter to the Defence Ministry yesterday.

গতিকে অসম চৰকাৰে যদি পুনৰ ভাৱে যে এইটো ৰাজনৈতিক সমস্যা বুলিয়ে সিদ্ধান্ত লৈ সামৰিক বাহিনী নিয়োগ কৰে তেন্তে অসম চৰকাৰৰ এইটো

ধাৰণা ভ্ৰান্ত আৰু ভাৰতবৰ্ষৰ ইতিহাসত প্ৰমাণ কৰিছে পঞ্জাৱ, মিজোৰাম। সৈন্য বাহিনীৰ যোগেদি যদি সমস্যা সমাধান কৰিব বিচাৰিছে তাৰ পৰিণতি ভয়াবহ হব। সেয়ে গৃহমন্ত্ৰালয়লৈ চিঠি লিখা বিষয়টো সঁচা হয় নে নহয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): গৃহ মন্ত্ৰালয়ক জনোৱা হৈছে আৰু তেখেত সকলক এই বিষয়ে পৰামৰ্শ দিবলৈ কোৱা হৈছে।

Honourable Speaker: I have received another Zero Hour Notice from the Honourable Member, Shri Munin Mahanta regarding "আজি ৬ চেপ্তেম্বৰ তাৰিখে মৰিগাওঁ জিলাত ১০ ঘন্টিয়া মৰিগাওঁ জিলা বন্ধ আন্দোলন হৈ আছে।" Now I call upon the Honourable Member, Shri Mahanta to speak on the matter.

* শ্ৰীমুনিন মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৮ আগষ্ট তাৰিখে মৰিগাওঁ জিলাৰ এজন সন্মানীত ব্যক্তিক মাতি আনি যি ধৰণে অত্যাচাৰ কৰা হ'ল আৰু তাৰ পিচত হাস্পাতালত চিকিৎসা কৰি থকা অৱস্থা অতি শোচনীয় আৰু এগৰাকী বিধবা পত্নীক ৰাতিপুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে আবদ্ধ কৰি ৰখা আৰু যোৱা ১১ আগষ্ট তাৰিখে মৰিগাওঁৰ পুলিচ অধীক্ষকজনে যাকে তাকে মাৰ ধৰ কৰি শাস্তি দিয়ে। সেই পুলিচ বিষয়াজনক অবিলম্বে বদলি কৰিব লাগে বুলি মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিলো। আজি ৬ চেপ্তেম্বৰ তাৰিখে মৰিগাওঁ জিলাত ১০ ঘন্টীয়া বন্ধ দিয়া হয়। এই বিষয়টো লৈ যি ঘটনা ঘটি আছে এই সম্পৰ্কে তদন্ত কৰি পুলিচ অধীক্ষকজনক বদলি কৰাৰ কি ব্যৱস্থা লৈছে এই বিষয়ে সদনত আলোচনা কৰিব বিচাৰিছো। তদুপৰি মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই জানিব বিচাৰিছো আমাৰ বিধায়ক সকলক চিকিউৰিটি গাৰ্ড দিয়া হয়। মৰিগাওঁৰ পি, এচ, অ' উঠাই দিয়াৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি। মৰিগাওঁৰ পুলিচ অধীক্ষক জনৰ লগত আমাৰ সম্পৰ্ক বেয়া হৈছে। ২৮ আগষ্ট তাৰিখে পি, এচ, অ' জনক ব্যক্তিগত ভাৱে দেখা কৰিবৰ কাৰণে মাতি পঠিয়াইছে। এই সম্পৰ্কে তদন্ত কৰিলে ভাল হয়।

* Speech not corrected.

মাননীয় অধ্যক্ষ : এই বিষয়টো জিৰো আৱাৰত কব। ব্যক্তিগত কথা নহয়।

শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, পুলিচ অধীক্ষক জনে বহুতো দুৰ্ব্যৱহাৰ কৰে। পুলিচ প্ৰশাসন যন্ত্ৰটো ভাগি যাব। এই সম্পৰ্কে আলোচনা কৰি মন্ত্ৰী মহোদয়ে সংস্কাৰ কৰিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মহন্ত ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে। তেখেতৰ ঘৰৰ পৰা পি, এচ, অ' উঠাই অনা নহব।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই জনাতে ৩, ৪ জনমান এচ, পি, গৈছে। বিধায়ক সকলক যেনেধৰণে আচৰণ কৰে বেয়াই লাগে। গতিকে এনে ধৰণৰ আচৰণ চলি থাকিলে কেৱল বন্ধই নহয় ইয়াৰ অৱস্থা আৰু বেয়াৰ ফালে যোৱাৰ উপশম হব। এচ, পি জনক স্থানান্তৰ কৰাৰ কথা বিবেচনা কৰিব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো বিবেচনা কৰি চাব লাগিব।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলে জিৰো আৱাৰত বহুতো কথা কৈছে। নোটিচত কম কাগজ হে পাইছো। হাতে লিখা হলেও হব।

শ্ৰীপ্ৰমোদ গগৈ : আধা ঘণ্টাৰ আগতে টাইপ কৰিবলৈ কোনো মানুহ নাপাওঁ।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক জনাও যে জিৰো আৱাৰত আলোচনাৰ বাবে ৯টা মচন দিয়াৰ কথা কৈছিল। নটিচ দিওঁতে ভিতৰত তিনি চাৰিটা কপি পাইছো। বাকী বিলাক পোৱা নাই হাতে লিখা হলেও হব।

We can take a decision. Anyway, in the meantime, I have received one Adjournment Motion under Rule 56 of the Rules of Procedure and conduct of Business in the Assam Legislative Assembly regarding an incident at Nabin Chandra College at Badarpur. The notice was signed by 9 Honourable Members. Now I request Shri Mission Ranjan Das to speak.

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ-মহোদয়, মই এটা বিষয় মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। বিষয়টো ইতিমধ্যে বাতৰি কাকতত প্ৰচাৰ হৈছে। অসমৰ ক্ষেত্ৰত ডাঙৰ সমস্যা হৈছে পণবন্দী সকলক লৈ। পণবন্দী সকলক মৃত্যুদণ্ড দিবলৈ আলফাৰ সিদ্ধান্ত হোৱা নাই। চৰকাৰে আলফাৰ লগত আলোচনা বিলোচনা কৰিছে। মই বিশেষ কথা জানিবলৈ বিচৰা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই আলফাৰ বিষয়ে আলোচনা কৰোতে কি সিদ্ধান্ত হ'ল, আজি এই পবিত্ৰ সদনৰ জৰিয়তে অসমবাসী ৰাইজক জনাই দিয়াৰ বাবে অনুৰোধ জনাইছো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি এই বিষয়টোৰ বিষয়ে বহুতো আলোচনা কৰিছো আৰু মহন্ত ডাঙৰীয়াৰ এই বিষয়টো অৱগত। আমাৰ সিদ্ধান্ত আছিল যে যদি আলফাৰ ফালৰ পৰা বাকী থকা ৮ জন পণবন্দীক মুক্তি দিয়ে আমি তেওঁলোকৰ যি সকল আলফা টাডা বন্দী আছে তেওঁলোকক মুক্তি দিম। তেওঁলোকৰ ২২২ জন টাডা বন্দী আছে। এই ২২২ জন আলফা টাডা বন্দীক এৰি দিয়াৰ কথা ঘোষণা কৰা নাই। আমি প্ৰথমতে এই কথা ঘোষণা কৰিছিলো যে যদি পণবন্দী সকলক মুক্তি দিয়ে আমি তেওঁলোকৰ বাকী থকাসকলক মুক্তি দিম— সেই সিদ্ধান্ত বাহাল আছিল। ইয়াৰ পিছত তিনিটা পৰ্য্যায় হ'ল— প্ৰথম পৰ্য্যায়ত ৬ জনৰ ঠাইত ২ জন, ২য় পৰ্য্যায়ত আছিল ৩০ জনৰ বিপৰীতে ২৪ জন, তাৰ পিছত ২ জনৰ বিপৰীতে সকলোকে এৰি দিয়াৰ কথা আছিল। ২য় স্বত্ব গ্ৰহণ কৰিছিল তেওঁলোকৰ সকলোকে এৰি দিব লাগে তেতিয়াহে আমি বাকী থকা সকলক এৰি দিম। ইয়াৰ পিছত পৰিস্থিতিৰ কথা চিন্তা কৰি তেওঁলোকে দুজনৰ বিপৰীতে ৬ জনক বিচাৰিছিল আৰু আমি এৰি দিছিলো। তাৰে এজন পণবন্দীক মাৰি পেলাইছিল। তেওঁলোকে যেতিয়া ৩ জনৰ বিপৰীতে ২৪ জনৰ কথা কৈছিল পিছত দেখা গল ২ জনৰ বিপৰীতে ২৪ জনৰ সিদ্ধান্ত তাৰ পিছত ২১ জনৰ তালিকা দিছে আৰু বাকী ৩ জনক এৰি দিবলৈ কোৱা হৈছে। ৩য় পৰ্য্যায়ত কোৱা হৈছিল আৰু ২ জনক এৰি দিব লাগে। আৰু সৰ্ত্ত বাহাল আছে, যদি তেওঁলোকে ৮ জন পণবন্দীক

* Speech not corrected

মুকলি কৰি দিয়ে তেতিয়াহলে আমি ২২২ জনৰ সকলোকে এৰি দিম। পিছত ২৭ আগষ্টত সিদ্ধান্তত ঘোষণা দিছিল ৮ জনক এৰি দিব লাগে আমি ২২২ জনক এৰি দিম। ২৭ তাৰিখৰ দিনাখনেই মই দুখন চিঠি পাইছিলো। এম্নেষ্টি ইন্টাৰনেশ্বনেলৰ নামত এখন চিঠি— আপোনালোকৰ যদি ৮ জনক এৰি দিয়ে, তেতিয়াহলে আপোনালোকে আটাই কেইজনকে এৰি দিব। আলফাই উন্নু-কিয়াইছিল যে যদি ২৭ তাৰিখৰ ভিতৰত আটাইকেইজনকে এৰি নিদিয়ে তেতিয়াহলে মৃত্যুদণ্ড দিব। এম্নেষ্টিয়ে মোক জনাইছিল যে তেওঁলোকে বিষয়টো সমাধান কৰাৰ বাবে চেষ্টা কৰিব আৰু আলফাই এখন চিঠি দিয়া বুলি কৈছিল। বিষয়টো বুজাপৰাৰ দিহা কৰিবলৈ চেষ্টা কৰিব লাগে। ২৭ তাৰিখে স্পষ্টভাৱে জানিবলৈ দিছিল যে তেওঁলোকে যদি ৮ জনক এৰি দিয়ে তেতিয়া আটাইকেইজনক এৰি দিয়া যাব। ২৮ তাৰিখৰ সিদ্ধান্তত বিবৃতি দিয়া হ'ল। এম্নেষ্টিক ৪৮ ঘণ্টা সময় দিছে এটা মীমাংসা হব লাগে। ২৯ তাৰিখে ৰাতিপুৱা মই চিঠি পাইছিলো। আপোনালোকে বুজাপৰা হব লাগে, কেইজনমান পণ-বন্দীক এৰি দিয়ক। তেওঁলোকৰ ফালৰ পৰাও এৰি দিবলৈ কম। এম্নেষ্টি ইন্টাৰনেশ্বনেলৰ সিদ্ধান্তক আলফাই ৰেস্পঞ্চ কৰি সময় বৃদ্ধি কৰি দিয়াৰ কাৰণে আমিও চিন্তা কৰি চাব লগা হল। এম্নেষ্টি ইন্টাৰনেশ্বনেলৰ ৰেস্পঞ্চত সময় বঢ়াই দিছে আমাৰ বুজা পৰাৰ বাবে চিঠি দিছিল। ২৯ তাৰিখে আমি সিদ্ধান্ত লৈছিলো যে গোটেই বিষয়টো আলোচনা বিলোচনাৰ মাজেৰে ১০ জন টাডা বন্দীক এৰি দিম, তেওঁলোকে তেতিয়া ২ জনক এৰি দিয়াৰ কথা কৈছিল। তেওঁলোকক কোৱা হৈছিল, আপোনালোকে নাম দিব নেকি ? তেওঁলোকে কৈছে যে নাম-চাম নাই ১০ জনক এৰি দিয়ক। সেইমতে ১০ জনক এৰি দিছিলো। ১০ জনক এৰি দিয়াৰ পিছত কোনো সহাৰি নেপালো। ১ জুলাইৰ পিছত অসমত আলফাৰ ফালৰ পৰা ঘটনা সংঘটিত হৈ আছে। কিছুমানক কাবায়ত্ব কৰা হৈছিল, তাৰে দুজনক ধৰিছিল মেঘালয় পুলিচে আৰু দুজনক নগালেণ্ড পুলিচে। যিসকলক মেঘালয় আৰু নাগালেণ্ড পুলিচে ধৰিছে তেওঁলোকক এৰি দিয়াটো সম্ভৱ নহয়। তেওঁলোকে নিজস্ব মতে কাম কৰিব। তেওঁলোকৰ আইন কানুন আছে আমি এৰি দিব নোৱাৰো। যিসকলক ধৰা হৈছে তেওঁলোকৰ ১১ জনক এৰি দিয়াটো সম্ভৱ নহয়। সেই সকলৰ কিছুমানক মেঘালয় পুলিচে ধৰিছিল আৰু বাকী আমি ধৰিছিলো। আমি ঘোষণা কৰিছিলো টাডা বন্দীক মুক্তি দিয়া যাব সেই কাৰণে আমি তেওঁলোকৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো— সেই বিষয়টো হ'ল টাডা বন্দী আৰু পণবন্দীৰ মাজত এম্নেষ্টি ইণ্টাৰনেশ্বনেল আহিছে। এম্নেষ্টি ইণ্টাৰনেশ্বনেলক চৰকাৰৰ ফালৰ পৰা আবেদন জনোৱা হৈছিল নে নিজে আহিছে। কথাখিনি স্পষ্ট কৰি দিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে নিজে আহিছে আমি মাতি অনা নাই।

* শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। এম্নেষ্টিক ইণ্টাৰনেশ্বনেল অসম শাখাই অনুৰোধ কৰাৰ কাৰণে এই কথা তেওঁ-লোকৰ লগত পাতিছে। ইতিমধ্যে এম্নেষ্টিক ইণ্টাৰনেশ্বনেল আচল কতৃত্ব বা তেওঁলোকৰ ভূমিকা সম্পৰ্কে কাগজে-পত্ৰে নানা কথা ওলাইছে এইটো সকলোৱে জানে। তাৰোপৰি আৰু এটা কথা জানে যে দিল্লীত এম্নেষ্টি ইণ্টাৰনেশ্বনেলক অস্বীকাৰ কৰিছে। তেওঁলোক অনুমোদিত নহয়, কাকতে-পত্ৰে এইটো ওলাইছে। এম্নেষ্টি ইণ্টাৰনেশ্বনেলৰ সদস্য যিসকলৰ নাম কাগজত ওলাইছে তাৰ অনেকে চৰকাৰ বা শাসক দলৰ পৃষ্ঠপোষক। এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰে 'যদি কাৰোবাৰ মধ্যস্থতা বিচাৰে তেনে সংগঠন স্বীকৃতিপ্ৰাপ্ত হব লাগে। কিন্তু এই সংগঠনক সৰ্ব্বভাৰতীয় প্ৰতিষ্ঠানে অস্বীকাৰ কৰিছে। এই সংগঠন সম্পৰ্কে নানা সমালোচনা উত্থাপন হৈছে। ইয়াৰ ফলত জটিলতা বাঢ়িছে। মই আগতেই কৈছিলো এই অৱস্থা যাতে অন্যফালে নাযায়। চৰকাৰে নিজে পোনপটীয়া ভাৱে যোগাযোগ কৰি ব্যৱস্থা লবনে? এই কথাটো মই পুনৰ দোহাৰো যে এম্নেষ্টিক ইণ্টাৰনেশ্বনেল অসম শাখাটোও স্বীকৃত নহয়, শাসক দলৰ পৃষ্ঠপোষক। এই সংগঠনটোৰ দ্বাৰা চৰকাৰে মীমাংসাৰ পৰিৱৰ্ত্তে জটিলতাহে বঢ়াব পাৰে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথা জনাবনে যে তেখেতে এই বিষয়ে কলিকতা এয়াৰপৰ্টত আলোচনা কৰিছিল নেকি?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি এম্নেষ্টিৰ ৰেস্পঞ্চত কাম কৰা নাই। ২৭ তাৰিখে ১ বজাত চিঠি পাইছো। তেতিয়া মন্ত্ৰী সভাৰ বৈঠক বহি থকাৰ সময়তে মোক চিঠিখন দিছিল। প্ৰথম কথাটো কৈছিল আপোনালোক বুজাপৰাত আহক, এম্নেষ্টি ইণ্টাৰনেশ্বনেলে আলফাৰ

* Speech not corrected

পৰা সময় বিছাৰিছিল। এই কথাটো মই মন্ত্ৰী সভাত কৈছিলো আৰু সিদ্ধান্ত এটা লোৱা হৈছিল। যদি তেওঁলোকে ৮ জনক এৰি দিয়ে তেতিয়াহলে আমি আটাইকেইজনকে এৰি দিম। আলফাই ৰেম্পঞ্চ কৰাৰ কাৰণে বিষয়টো বিবেচনা কৰা হৈছিল। যাতৰি কাকতটো পঢ়িবলৈ পাইছো যে আলফাই ৪৮ ঘণ্টা সময় বঢ়াই দিছে। যিহেতু আলফাই ৰেম্পঞ্চ কৰিছে, আমি বিবেচনা নকৰিলে অন্যায় হব, ৰাইজে আমাক দোষিব। এম্নেষ্টি ইণ্টাৰনেশ্বনেলক আলফাইও ৰেম্পঞ্চ কৰিব। দ্বিতীয়তে এই বিষয়ে কলিকতাত কোনো আলোচনা হোৱা নাই। তেওঁলোক যাঘ নে ঘোড মই আজিলৈকে দেখা নাই।

—গণ্ডগোল—

## ADJOURNMENT MOTION

* শ্ৰীমিশন রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জ জেলার বদরপুর শহরে নবীনচন্দ্র কলেজে গত ২৬।৮।৯১ ইং তারিখে যে ঘটনা ঘটে গিয়েছে সে বিষয়ে আলোচনা করার জন্য এই সভা স্থগিত প্রস্তাব আনা হয়েছে।

অধ্যক্ষ মহোদয়, এটা একটা নির্দিষ্ট ঘটনা। ২৬।৮।৯১ তাং নবীনচন্দ্র কলেজে রাখি বন্ধন উৎসবকে কেন্দ্র করে যে দাঙ্গা হয়ে গেল তার পরিপ্রেক্ষিতে বদরপুর শহরের বিভিন্ন অঞ্চলে অনেক দাঙ্গা হয়েছে এবং এই দাঙ্গায় বিভিন্ন অঞ্চলে ৫০।৬০ জন নিরীহ লোক আহত হয়েছে, এখন পর্যন্ত ৪ জন লোক নিখোজ রয়েছে। এটা একটা গুরুত্বপূর্ণ বিষয় এবং এই ঘটনার গুরুত্ব অনুভব করে মাননীয় মুখ্যমন্ত্রী মহোদয়ও বদরপুর শহর পরিদর্শণে গিয়েছিলেন। এই ঘটনায় অনেক বাস-ট্রাকেরও ক্ষতি হয়েছে। ১০।১৫ জন লোক এখনও শিলচর মেডিকেল হাসপাতালে চিকিৎসাধীন রয়েছে। এদের অবস্থা গুরুত্ব বলে আমরা জানতে পেরেছি। বদরপুর শহরে এখনও কার্ফু চলছে। বদরপুর এবং করিমগঞ্জের জনসাধারণ আতংকে ভুগছে।

অধ্যক্ষ মহোদয়, বদরপুর সমষ্টির নির্ব্বাচন এখনও বাকী আছে। এই নির্ব্বাচন কেন্দ্র করে ভবিষ্যতে হয়তো আরও অনেক ঘটনা ঘটতে পারে। সুতরাং এ ব্যাপারে আগে থেকেই আমাদের ব্যবস্থা নেওয়া দরকার। যে

* Speech not corrected.

৪ জন লোক এখনও নিখোঁজ পুলিশ তাদেরে আজ পর্যন্ত খুজে বের করতে না পারাটা একটা আশ্চর্যজনক কথা। এ ব্যাপারে আমরা মাননীয় মুখ্যমন্ত্রী মহোদয়কে টেলিগ্রাম করে অবগত করেছিলাম। মাননীয় মুখ্যমন্ত্রী মহোদয় এই ঘটনার গুরুত্ব বুঝে সেখানে গিয়েছিলেন। আমরা উনার সঙ্গে দেখা করাতে তিনি এর ব্যাপারে একটা তদন্ত করবেন বলে আশ্বাস দিয়েছিলেন। কিন্তু পরবর্ত্তি সময়ে তিনি এই ঘটনার সঙ্গে বি জে পি জরত বলে বিবৃতি দিয়েছেন বলে আমরা জানতে পেরেছি। গত ৩১।৮।৯১ তাং প্রকাশিত 'সোনার কাছাড়' পত্রিকায় এ ব্যাপারে প্রকাশিত হয়েছে। আমরা মাননীয় মুখ্যমন্ত্রী মহোদয়ের তরফ থেকে এ ধরণের বিবৃতি আশা করিবেন। যে সব লোক এখনও নিখোঁজ রয়েছে তারা আজ জীবিত না মৃত অবস্থায় আছেন তা আমরা জানি না। যে সব বাস/ট্রাক নষ্ট হলো, যে সব যাত্রী আহত হলেন তাদের ব্যাপারে সরকার কি ব্যবস্থা নিচ্ছেন, কিভাবে ক্ষতিপুরণ দিবেন সে ব্যাপারে বিস্তারিত আলোচনা হওয়া দরকার বলে আমরা মনে করি। আশাকরি আপনি এই প্রস্তাব গ্রহণ করে আমাদেরে আলোচনা করার সুযোগ দিবেন।

Shri Samarendra Nath Sen : Sir, the matter is very serious. On the fateful day the incident took place at 11—20 A. M. and the D. I. G. did not know it till 3—15 P. M. So Sir, it is a failure on the part of the administration. The Honourable Chief Minister who visited Badarpur on 30th August last made the BJP responsible for the incident. I must say that at a particular place about half a kilomiter from Badarpur Police Station 10/15 people were injured dragging them out of the Bus. One boy was stabbed. The matter is very serious. The people are panicky and many persons are languishing in the Medical College, Silchar. It is published in the papers that people coming from across the International border created this trouble. But the Honourable Chief Minister blamed the B J P. It is crystal clear that people of a particular community created

the trouble, but the Chief Minister blamed the BJP. The matter is very serious and it must be discussed through the Adjournment motion moved by my friend Shri Das.

* শ্ৰীগোলক ৰাজবংশী : মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাবটো উত্থাপন কৰোতে আমি এইটো চাবলগীয়া হৈছো যে আপোনাৰ অনুমতি ক্ৰমে প্ৰস্তাৱটো উত্থাপন কৰিছেনে নাই ? ৰুল ৫৭ৰ মতে এডমিচিবিলিটিৰ কাৰণে যি খিনি বিষয় বস্তু লাগে সেই খিনি উত্থাপন কৰা হৈছেনে নাই ? আমি দেখিবলৈ পাইছো যে দুৰ্ভাগ্যবশতঃ এডমিচিবিলিটিৰ সম্পৰ্কত তেখেতসকলে এটা কথাও উল্লেখ কৰা নাই। whether the motion admissibl. যদি তেখেত সকলে এই প্ৰস্তাৱটো এডমিচিবল হব নালাগে বুলি ধৰি লৈয়েই এডমিচিবিলিটিৰ সম্পৰ্কত একো কোৱা নাই তেনেহলে এই প্ৰস্তাৱটো আলোচনাৰ বাবে লবলৈ অসুবিধা হব। তেখেতসকলে কিছু ফেক্ট কালেক্ট কৰিছে যেনে ৫০ জনমান মানুহ ইনজিঅৰ হোৱা বুলি কৈছে আৰু কেইবাখনো বাচ বেয়া কৰা বুলি কৈছে। এইটো এটা সচৰাচৰ ঘাটি থকা আইন শৃঙ্খলাৰ কথা। তাৰোপৰি আৰু এটা কথা মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বিষয়টো অনুসন্ধান কৰোৱা হব। The matter of urgent public importance may be made with the consent of the speaker. ইয়াত আৰু এটা কথা চাব লাগিব যে জনস্বাৰ্থ জৰিত আছেনে নাই ? ৰুল ৫৬ (২)ত কৈছে— The Speaker shall decide whether the matter to be discussed is definite and whether it is of urgent public importance. তেখেত সকলে বদৰপুৰৰ এই ঘটনাৰ সম্পৰ্কত কৈছে। ইয়াত পাব্‌লিক ইমপৰটান্স আছেনে নাই, সেইটো সাব্যস্ত কৰিব পৰা নাই। পাব্‌লিক ইমপৰটান্স কেতিয়া আহে— যেতিয়া কোনো এটা কথাৰ প্ৰতিক্ৰিয়া হিচাবে জনসাধাৰণৰ মনত প্ৰতিক্ৰিয়া হয়। কেইজনমান মানুহ ইনজিঅৰ হোৱা বা কেইখনমান বাচ জলোৱা কথাটো দৈনন্দিন হৈ থকা আইন-শৃঙ্খলাৰ কথা। এইটো সভাস্থগিত প্ৰস্তাৱ হিচাবে আনি আলোচনা কৰিবলগীয়া নাই। এইটো কৰিবলগীয়া হলে আমাৰ ২০ দিনীয়া অধিবেশনত ২০ টা সভাস্থগিত প্ৰস্তাৱ আহিব। তেতিয়া আমি সেই বিলাককে আলোচনা কৰি থাকিব লাগিব অন্য কাৰ্য্যসূচী আলোচনা কৰিবই পৰা নহব। এইটো

* Speech not corrected

এটা সাধাৰণ আইন শৃঙ্খলাৰ প্ৰশ্ন, এইটো সভা স্থগিত প্ৰস্তাৱ হিচাবে আনি আলোচনা কৰিবলগীয়া নাই। তেখেত সকলে নকলেও বুজিব পাৰিছে যে এই প্ৰস্তাৱটো আমি সভা স্থগিত প্ৰস্তাৱ হিচাবে গ্ৰহণ কৰি আলোচনা কৰিব পৰা নহব। এইটো এটা সভাস্থগিত প্ৰস্তাৱ হিচাবে গ্ৰহণ কৰিব পৰা নহব।

* শ্ৰীজয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, পাৰ্লিয়ামেণ্টৰ বিভাগৰ মন্ত্ৰীয়ে এটা ভুল ব্যাখ্যা দাঙি ধৰিছে। ফেক্টৰ ব্যাখ্যা কৰিবলৈ যাওঁতে কৈছে যে নিৰ্দিষ্ট অভিযোগ থাকিব লাগিব। লগতে মুখ্য মন্ত্ৰীয়ে অনুসন্ধান কৰাৰ কথাও কৈছে। এই প্ৰস্তাৱটোত পাব্লিক ইমপৰটেন্স নাই বুলি তেখেতে কেনেকৈ কব পাৰে? তেখেত সকল নতুন মানুহ কাৰণে উত্থাপন কৰোতে কিবা এটা শব্দ নকব পাৰে। তাৰ পৰাই আমি ধৰি লোৱা উচিত নহব যে ইয়াত এডমিচিবিলিটি নাই বুলি। তেওঁলোকে 'চেৰিয়াচ' শব্দটো উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে ৰাইজক ৰক্ষণা বেক্ষন দিয়ক চাৰি দুটা দলৰ মাজত কাজিয়াহে লগাই দিছে। এখন ৰাজ্যৰ এজন মুখ্যমন্ত্ৰীয়ে কমিউনেল কথা কৈ দুদলৰ মাজত কাজিয়া লগাই দিলে। ইয়াতকৈ আৰু কিবা ডাঙৰ কথা হব পাৰেনে? গতিকে এনেকুৱা এটা গুৰুত্বপূৰ্ণ কথাত গুৰুত্ব নাই বুলি কলে ভুল কোৱা বুলি নকৈ নোৱাৰি।

মাননীয় স্পীকাৰে — কিবা কবলৈ উঠে।

শ্ৰীজয়নাথ শৰ্ম্মা: মুখ্যমন্ত্ৰীয়ে ষ্টেটমেণ্ট দি বিষয়টো স্পষ্ট কৰি দিয়ক।

Mr. Speaker: I have heard the mover as well as the Honourable members and the replies of the Minister for Parliamentary Affairs. I reserve my ruling. Now. iten No. 2.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE.

Mr. Speaker: Under Rule 230 of the Rules of procedure Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisoiy committee at 11 a. m. on 4th September, 1991 in my Office Chamber

at Dispur for finalisation of the draft Calendar settling the business for the current Session of the Assembly. The Committee considered the draft Calendar and decided that the current Session shall continue till 20th of September, 1991. There will be 10 working days out of which 7 days will be devoted for transacting of Government Business and 3 days will be devoted for private Members Business. The Committee also decided that if time permits Government Business will be taken up on 20th September, 1991. Out of the 7 days allotted for transacting of Government. Business 2 days viz. 11th and 12th September, 1991 will be devoted for General discussion on the Budget and 3 days, vis. 16th, 18th and 19th Septembar, 1991 will be devoted for voting on Demands for Grants.

The Calendar so finalised has already been circulated amongst all the Honourable Members of the Assembly.

I hope this has the approval of the House.

শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰভেল দিয়াৰ আগতে দুষাৰ কব লাগিব। এই ৰিপোৰ্টত আমাৰ কোৱাৰ অধিকাৰ আছে। আচৰিত কথা আমাৰ সদনৰ বুৰঞ্জীত নজিৰ হব যে বাজেটৰ গ্ৰাণ্টৰ ওপৰত মাত্ৰ তিনি দিন আলোচনা হব। এনেকুৱা নজিৰ আন বিধান সভাত নাই। ইমান চমুকৈ অধিবেশন দিয়াৰ অৰ্থ কি ? বিধান সভাৰ সন্মুখীন হবলৈ চৰকাৰে ভয় খাইছে নেকি ? ইতিমধ্যে মন্ত্ৰীয়ে গোলাঘাট চাৰ্কিট হাউচত ভদ্ৰ মহিলাক কি কাৰণত ৰাখিছে। বিধান সভা ফেচ কৰক। নাৰী জড়িত কেলেংকাৰীত মন্ত্ৰী নিহিত হোৱা বুলি বাতৰি কাকতত ওলাইছে। বিধান সভাৰ সন্মুখীন হোৱাৰ বাবে ভয় খোৱাৰ কাৰণ কি ? তিনি দিনৰ গ্ৰাণ্ট আলোচনা কৰিব পাৰি নেকি ? গোলাঘাটত মন্ত্ৰীয়ে তিনি দিন ভদ্ৰ মহিলাক ৰাখিছে।

মাননীয় অধ্যক্ষ : ১০ দিন কৰা হৈছে, দোষটো মোৰেই। আপোনা-লোকৰ সৌভাগ্য মোৰ দুৰ্ভাগ্যৰ কাৰণে কমন ৱেলথ কনফাৰেন্সলৈ ২১ তাৰিখে

যাব লগিব। মইয়েই অনুৰোধ কৰিছো যিমান পাৰি চমু অধিৰেশন হব লাগে। তিনি মাহৰ দীঘলীয়া হোৱা উচিত আছিল। বিএচি ৰহিছে। আপোনালোকে যাব নালাগে বুলি কয় তেন্তে বেলেগ কথা। অসমক প্ৰতিনিধিত্ব কৰিব লাগিব। সেই কাৰণে মোৰ দহ দিন হৈছে। বি এ চিত পাচ কৰিছে। মই ভাবো সদস্য সকলে এইটো পাচ কৰি দিয়া ভাল হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ : ৰিএচিৰ সিদ্ধান্ত পাচ হৈ গৈছে। এই সম্পৰ্কত এটা কথা কৰ বিচাৰিছো বিএচিত কেৰাটাও পাৰ্টিৰ প্ৰতিনিধিত্ব নাই। এই কথাটো যোৱা চেচনত উত্থাপন কৰা হৈছিল। বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে দুদিন মাত্ৰ সময় দিছে। বিএচিত আলোচনা কৰি ২-১ দিন বঢ়াই দিব পাৰিবনেকি ?

অধ্যক্ষ : ২১ তাৰিখে মই যাব লাগিব।

শ্ৰীনগেন শৰ্ম্মা : যিহেতুকে দিন বঢ়াব নোৱাৰিবি, সদনৰ সময় বঢ়াব পাৰিবনেকি ?

শ্ৰীজয়নাথ শৰ্ম্মা : আবেলি ৰহিম। সাংঘাতিক সমাজ বিৰোধী কথাত মন্ত্ৰী জড়িত হৈ গল। এনেকুৱা বিষয় ক'ত আলোচনা কৰিম। তদন্ত কৰাৰ কাৰণে সাহস নাই কিয় ?

## ANNOUNCEMENT FROM THE CHAIR

আইটেম নং— ৩

অধ্যক্ষ : অসম বিধান সভাৰ প্ৰক্ৰিয়াৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নং নিয়ম অনুসৰি মই ইয়াৰ দ্বাৰা নিম্ন উল্লেখিত সদস্য সকলক চলিত বিধান সভাৰ স্থগিত জুলাই আগষ্ট অধিবেশনৰ লগতে বাজেট অধিবেশনৰ কাৰণে সভাপতি সকলৰ নাম সুচী গঠনৰ বাবে মনোনিত কৰিলে। (১) শ্ৰীপ্ৰমোদ গগৈ, (২) শ্ৰীৰামেশ্বৰ ধানোৱাৰ, (৩) শ্ৰীভৃগু কুমাৰ ফুকন। (৪) শ্ৰীমুজিবুৰ ৰহমান।

## CALL ATTENTION

আইটেম নং— ৪

Mr. speaker : Now Shri Sasha kamal Handique to Call the attention of the Honourable Minister.

শ্ৰীনগেন শৰ্ম্মা : বিধান সভাৰ অধিবেশন ২০ তাৰিখে সমাপ্ত হব। মোৰ বোধেৰে সদনৰ সময় বঢ়াই দিয়াৰ কাৰণে মাননীয় সদস্য সকলৰ আপত্তি নাই।

মাননীয় অধ্যক্ষ : সোমবাৰে বি এ চি বহিব। তাত সিদ্ধান্ত হব। we will take a decision at the B A C.

শ্ৰীশশকমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯১ চনৰ ২৪ আগষ্ট তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "বিজ্ঞানৰ কিতাপৰ নাম পুৰাণ, উপনিষদ ক্ৰিকেটৰ কিতাপ ক্ৰয়, কোটি টকাৰ অপব্যয়" শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

১৯৯১ চনৰ ৬ চেপ্তেম্বৰ তাৰিখে অসমৰ শিক্ষা মন্ত্ৰীয়ে সদনত দিয়া বিবৃতি।

ডাঃ ভূমিধৰ বৰ্ম্মন (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত যোৱা কালি ৪-৩০ বজাত অধ্যক্ষ মহোদয়ৰ পৰা বাতৰি পাইছো। অলপ সময়ৰ ভিতৰত যি পাইছো তাক অৱগত কৰিলো। চলিত বছৰৰ ২৪ আগষ্ট তাৰিখত "নতুন দৈনিক" কাকতত প্ৰকাশিত "বিজ্ঞান কিতাপৰ নামত পুৰাণ, উপনিষদ, ক্ৰিকেটৰ কিতাপ ক্ৰয় : কোটি টকাৰ অপব্যয়" এই শিতানৰ বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

ভাৰত চৰকাৰে উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে ধন মঞ্জুৰী দিয়াটো সঁচা। মঞ্জুৰীকৃত ধনৰ বিজ্ঞান বিষয়ৰ প্ৰাসংগিক কিতাপ বিদ্যালয়লৈ যোগান ধৰাৰ বাবে ধাৰ্য্য আছিল। এই মতে বাচনি সমিতিৰ অনুমোদনক্ৰমে স্কুলবোৰলৈ কিছু বিজ্ঞান বিষয়ৰ প্ৰাসংগিক কিতাপ যোগান ধৰা হয়। এই ধনৰ এটা অংশ বিজ্ঞান বিষয়ৰ লগত পোনে পোনে সংগতি নথকা কিছু কিতাপ সেই সময়ৰ আয়ুক্তৰ আদেশক্ৰমে

পুথিভড়ালৰ সঞ্চালকে যোৱা মার্চ/এপ্রিল মাহত কিনাটো সঁচা। বিষয়টো বিভাগীয় পৰীক্ষা কৰি থকা হৈছে। এইটো এটা গুৰুত্বপূর্ণ কথা বুলি চৰকাৰে অনুভৱ কৰিছে। ইতিমধ্যে গোটেই বিষয়টো তদন্ত কৰি থকা হৈছে। মই অতি সোনকালে সদনক জনাম।

শ্রীলক্ষী প্রসাদ বৰগোঁহাই : এই সময়ছোৱাত শিক্ষা আয়ুক্ত কোন আছিল সদনক জনাবনে ?

ডাঃ ভূমিধৰ বর্ম্মণ (শিক্ষা মন্ত্রী) : ৰাষ্ট্রপতিৰ শাসনৰ সময়ত এইটো কৰা হৈছিল। অনুপস্থিত থকা মানুহৰ নাম নোকোৱাই ভাল। সেই সময়ৰ আয়ুক্ত কোন আছিল মাননীয় সদস্য সকলে জানে।

শ্রীজয়নাথ শর্ম্মা : তেখেতে কবলৈ ইচ্ছা কৰা নাই যেতিয়া আমিও জনাৰ ইচ্ছা কৰা নাই।

শ্রীচন্দ্র মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই কথা স্বীকাৰ কৰিছে যে বিজ্ঞানৰ লগত সম্পর্ক নথকা কিতাপ ইতিমধ্যে কিনা হৈছে। অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাৰ নে যে বিজ্ঞানৰ লগত সম্পর্ক নথকা কেনে কেনে ধৰণৰ কিতাপ কিনা হৈছিল ?

শ্রীভুমিধৰ বর্ম্মণ (মন্ত্রী) : অধ্যক্ষ মহোদয়, উপনিষদ আদি এনেকুৱা ধৰণৰ কিতা কিবি আছে।

শ্রীজয়নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এই অপাৰেচন ব্লেকবোর্ডৰ ক্ষেত্রত মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। ভাৰত চৰকাৰৰ এই আঁচনিৰ ক্ষেত্রত সকলো বাকী ৰাজ্য বিলাকে তৃতীয় কিষ্টি উঠোৱাৰ পাচত চতুর্থ কিষ্টি উঠোৱাৰ বাবে যোজা কৰিছে। কিন্তু আমাৰ তৃতীয় কিষ্টিয়ে হৈ উঠা নাই। সেয়ে তৎকালীন তৃতীয় কিষ্টিটো উঠোৱাৰ পাচত অতি সোনকালে চতুর্থ কিষ্টি উঠোৱাৰ ব্যৱস্থা ললে ভাল হয়। সেয়ে উক্ত বিষয়ত অতি শীঘ্রে তদন্তৰ ব্যৱস্থা গ্রহণ কৰা ভাল।

শ্রীভূমিধৰ বর্ম্মণ (মন্ত্রী) : মাননীয় সদস্য গৰাকীৰ লগত মই একমত হৈছো। এই বিষয়ে ব্যৱস্থা লবলৈ নির্দ্দেশ দিছো। তদুপৰি চতুর্থ কিষ্টিৰ ক্ষেত্রত অতি সোনকালে ব্যৱস্থা লম।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, তেখেতে কৈছে বিজ্ঞানৰ লগত সম্পৰ্ক নথকা কিছুমান কিতাপ কিনা হৈছে। তেনেধৰণৰ কি কি কিতাপ কিনা হৈছে, নাইবা কি কি কিতাপ বিজ্ঞানৰ লগত জড়িত নহয় বুলি ভাবিছে জনাবনে ? এষ্ট্ৰলজী, কৌত্তিল্য বেদ আদিও এই কিতাপ বিলাকৰ ভিতৰত পৰিব নেকি ? বিজ্ঞানৰ লগত জড়িত নহয় বুলি কলে কেনে ধৰনৰ কিতাপ বুজায় সেইটো আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীভূমিধৰ বৰ্মণ : এইটো আমাৰ বিজ্ঞানৰ চিলেবাচৰ লগত জড়িত থকা নহয়।

## MATTER UNDER RULE 301

Mr. Speaker : Now item No. 5.

Shri Zoii Nath Sarma.

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯১ চনৰ ১৭ আগষ্ট তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "চোৰাং ভাবে গড় হত্যাৰ নিষ্ঠুৰ কাহিনী" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত মই গুৰুত্ব সহকাৰে মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি কিছুদিনৰ পৰা দেখা গৈছে যে কাজিৰঙা অভয়াৰণ্যৰ ক্ষেত্ৰত অসম চৰকাৰৰ বন বিভাগৰ তৰফৰ পৰা কোনো ধৰণৰ চকু দিয়া হোৱা নাই। এগৰাকী মাইকী গড়ক পোৱালীয়ে গাখীৰ খাই থকা অৱস্থাত চোৰাং চিকাৰীয়ে গুলিয়াই হত্যা কৰে। এই সংশ্লিষ্ট বিষয়টো ইয়াৰ আগতেও বিধান সভাত উত্থাপন কৰা হৈছিল। আৰু আজিও এই বিষয়ে উলিয়াইছো কাৰণ এই ক্ষেত্ৰত তৎকালীন ব্যৱস্থা চৰকাৰে লব লাগে। এই বিশেষ উদ্দেশ্য লৈয়েই আজি এই কথা বিধান সভাত উত্থাপন কৰা হৈছে। কাজিৰঙাৰ কহৰা চোকৰ পৰা ১ কিলোমিটাৰ আগলৈ কিছুমান জুপুৰী ঘৰ নতুনকৈ হোৱা দেখা গৈছে। আৰু সেই ঘৰবিলাকত চোৰাং চিকাৰী লুকাই থকাৰ বিশেষ সুবিধা আছে বুলি জনা যায়। এই মাটিবিলাক

* Speech not corrected

দখল বা বেদখল কৰি মানুহে সৰু সৰু ঘৰ বান্ধি আছে। ইয়াৰ উপৰিও আমাৰ মন্ত্ৰী বিধায়ক সকলে ডিব্ৰুগড় বা যোৰহাটলৈ যাওঁতে কাজিৰঙাৰ সীমা বঢ়াপাহাৰ অঞ্চলত কিছু নতুনকৈ জুপুৰী ঘৰ হোৱা দেখা গৈছে। এই বেদখলকাৰী সকলৰ ওপৰত কি কাৰণে ব্যৱস্থা লোৱা হোৱা নাই এই বিষয়ত কিবা উদ্দেশ্য আছে নেকি ? ৰাজহ মন্ত্ৰী ডাঙৰীয়াই অলপতে টি, ভি, ৰ জৰিয়তে প্ৰচাৰ কৰিছে যে বন গাওঁ বিলাকত মাটি পট্টন দিয়া ব্যৱস্থা কৰিব। চাংঘাই, কাজিৰঙা মানস, ওবাং আদি অঞ্চলত ব্যৱস্থা লম বুলি কোৱাৰ পাচত ইয়াৰ ৰিজালট্‌টো কেতিয়াও পোৱা নগ'ল। এইদৰে চৰকাৰে ব্যৱস্থা লম বুলি কোৱাৰ পাচত তাৰ কোনো বিজালট্‌ কোনো দিনেই কেতিয়াও নোলায়। বৰ্ত্তমান যিকেইটা গড় আছে সেই কেইটাও চৰকাৰে নিৰাপত্তা দিব নোৱাৰে। কেইবাটাও চকী বহুৱালে কিন্তু চোৰাং চিকাৰী এটাও ধৰা নপৰিল। মুখ্যমন্ত্ৰী মহোদয় বন বিভাগৰো মন্ত্ৰী আবকাৰী বিভাগৰো মন্ত্ৰী তাৰোপৰি সকলো বিভাগৰে মন্ত্ৰী তেখেতে বিভিন্ন বেদখলকাৰী সকলৰ ওপৰত ব্যৱস্থা লওক। অলপতে মুখ্য-মন্ত্ৰীয়ে ৰাজ্যখনৰ সকলো ডি, এফো সকলক মাতি আনি মিটিং এখন পাতিলে। তাত ১৫০ জনমান ডি, এফ, ওৱে ভাগ ললে। কিন্তু এই মিটিঙত কোনো কাম কাজ নহল। কেৱল অফিচাৰ সকলে অহা-যোৱা থকা-খোৱা বাবদ এক হাজাৰ ডেৰহাজাৰ মানকৈ টকা চৰকাৰৰ ঘৰৰ পৰা টি, এ, ডি এৰ বাবদ ললে। সেই মিটিঙত মুখ্য মন্ত্ৰীয়ে মাত্ৰ আধাঘণ্টা বক্তৃতা দিলে। কিন্তু সংশ্লিষ্ট কোনো বিষয়ে বিতং আলোচনা নহল। তাৰোপৰি দেখা গল আজিৰ অসম নিউজত প্ৰকাশিত হোৱা ১৭ লাখ টকাৰ কেলেঙ্কাৰীৰ লগত জৰিত বিষয়া জনৰ ওপৰত কোনো ধৰণৰ একচন লোৱা নহ'ল বৰং তেওঁৰ পদোন্নতিহে হ'ল। এতিয়া প্ৰশ্ন হ'ল, বন বিভাগত চলি থকা চোৰাং কাৰবাৰ অবিৰতভাৱে চলি থাকিব দিব নেকি ? নে তৎকালীন ভাৱে হোৱাৰ কিবা ব্যৱস্থা লব ? আজিলৈকে ইয়াৰ কোনো মীমাংসা কৰা নাই। এই বিষয়ত চৰকাৰে এটা সমূহীয়া ভূমিকা লোৱা উচিত হব। আজিলৈকে কোনোৱা চোৰাং চিকাৰী ধৰা পৰাৰ পাচত কাৰাদণ্ড হোৱা বুলি শুনিছে জানো ? আচলতে পুলিছে এফ, আই, আৰ দিওঁতে এই ধৰণে দিয়ে যাতে কেচটো জুডিচিয়েল কোৰ্টত গৈ নাকচ হৈ যায়।

এতিয়া আমাৰ বিষয়া কিমান আছে ? আপোনালোকে জানেই। মই বাৰাম্বাৰ কৈছো কাজিৰঙা অভয়াৰণ্য খনে অসমৰ বিভিন্ন ঠাইৰ পৰা আৰু

বাহিৰৰ পৰাও পৰ্য্যটক আকৰ্ষণ কৰিব পাৰে। কিন্তু এই অভয়াৰণ্য খনৰ প্ৰতি যি ধৰণে চকু দিব লাগিছিল সেই ধৰণে দিয়া হোৱা নাই। আপোনালোকে জানে যে যোৱা ১০ বছৰৰ যদি প্ৰচিডিং চোৱা হয় তেতিয়া দেখিব এই সম্পৰ্কত কিমান বাৰ আলোচনা কৰা হৈছে কিন্তু এই চোৰাং চিকাৰী বন্ধ কৰাৰ কাৰণে কোনো ব্যৱস্থা কৰিব পৰা নাই। এই বিভাগটোৰ বাজহাড় নাই নেকি ? মেৰুদণ্ডহীন এই বিভাগটো, টপহেভী ডিপাৰ্টমেণ্ট, চিফকণজাৰভেটৰ জন আকৌ আ‌‌ছে পাবলগা জনক দিয়া নাই অথচ নাপাবলগা জনক দিয়া হৈছে। যদি আজি ইমান দিনে অসমৰ এশিঙীয়া গড় ৰক্ষণা-বেক্ষণ দিয়া হলহেঁতেন তেতিয়াহলে আজি এনে এটা অৱস্থা নহ'লহেঁতেন। এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব যে এই বিভাগটোৱে চোৰাং চিকাৰীৰ পৰা গড় নিধন বন্ধ কৰাৰ ক্ষেত্ৰত যি ধৰণে নীতিগত ভাৱে ব্যৱস্থা লব লাগিছিল সেই ধৰণে লোৱা হোৱা নাই। সেয়ে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো ; আজি এই বিভাগটো যি ধৰণে মেৰুদণ্ডবিহিন হৈ পৰিছে এই বিভাগটোক মেৰুদণ্ডবিহীনৰ পৰা মেৰুদণ্ডযুক্ত কৰি তোলাৰ কাৰণে তৎকালিন ব্যৱস্থা গ্ৰহণ কৰক। মুখ্যমন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত তদন্ত কৰি ব্যৱস্থা লোৱা হব বুলি স্বাভাৱিক উত্তৰ দিয়াতকৈ তেখেতে কিয় ঠিৰাংকৈ কব নোৱাৰে যে যেতিয়ালৈকে তেখেতে এই বিভাগৰ দায়িত্বত থাকিব তেতিয়ালৈকে চোৰাং চিকাৰীয়ে এটাও গড় নিধন কৰিব নোৱাৰিব তেতিয়া অন্তত বিষয়া সকলে ভাল নাপালেও বা পহুখোৱা মন্ত্ৰীয়ে ভাল নাপালেও বা গড়ে ভাল নাপালেও অসমৰ ৰাইজে ভাল পাব আৰু চোৰাং চিকাৰীৰ পৰা গড় নিধন বন্ধ হব। গতিকেই মুখ্যমন্ত্ৰী মহোদয়ক এই বিভাগটো মেৰুদণ্ডহীনৰ পৰা মেৰুদণ্ড যুক্ত কৰিবলৈ চেষ্টা কৰক। পইনলেচ শব্দটো আতৰাই পাইনফুল কৰি তোলক। সিদিনা যেতিয়া মন্ত্ৰী এজনে পহু খোৱা বুলি প্ৰশ্ন উঠিছিল তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্ট উত্তৰ দিব লাগিছিল। কিন্তু স্বাভাৱিক ভাৱে উত্তৰ দি কলে যে তদন্ত কৰি ব্যৱস্থা লোৱা হব। এজন মন্ত্ৰীৰ বিৰুদ্ধে এজন অফিচাৰে অনুসন্ধান কৰি কি ৰিপোৰ্ট দিব সেইটো আপোনালোকে ভালদৰে জানে। আমি ভাবো এই বিভাগটোৱে অন্ততঃ কাজিৰঙাৰ চাৰিওফালে ২০ ফুট ওখকৈ কটা তাঁৰৰ বেৰা দিব পাৰে। যাতে এই অভয়াৰণ্যত চোৰাং চিকাৰী সহজতে সোমাই গড় নিধন কৰিব নোৱাৰে। মই পুনৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে

যাতে এই বিভাগৰ দায়িত্বত যেতিয়ালৈকে আছে তেতিয়ালৈকে যাতে এটাও গড় নিধন কৰিব নোৱাৰে বুলি সাহসেৰে আশ্বাস দিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) পূৰ্ব অসম বণ্যপ্ৰানী সংমণ্ডল বিষয়াৰ পৰা প্ৰাপ্ত প্ৰতিবেদন মতে যোৱা ৪/৮/৯১ তাৰিখে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাহিৰত আৰু চুবুৰীয়া কাৰ্বি আংলং জিলাৰ এংলী পথাৰ এলেকাত চোৰাং চিকাৰীয়ে এজনী মাইকী গড় হত্যা কৰে। পহৰাদাৰী বনৰক্ষী সকলে এই হত্যা উদ্‌ঘাটন কৰাৰ লগতে উক্ত মাইকী গড়জনীৰ পোৱালী এটা ঘটনাস্থলীতে দেখা পায় আৰু লগে লগে পোৱালীটোক উদ্ধাৰ কৰি বনাঞ্চলিক কাৰ্য্যালয়লৈ লৈ আহে। পিছত এই পোৱালীটোক অসম চৰকাৰৰ গুৱাহাটীস্থ ৰাজ্যিক চিৰিয়াখানালৈ প্ৰতিপালনৰ বাবে ৬.৮.৯১ তাৰিখে পঠিয়াই দিয়া হয়। সংশ্লিষ্ট বাতৰিটোত উল্লেখ কৰাৰ দৰে পোৱালীটোৱে মাকৰ ওহাৰত মুখ দি গাখীৰ খাই থাকোতে চোৰাং চিকাৰীয়ে গড়জনীক হত্যা কৰা সত্যতাৰ কোনো উমান পোৱা নাযায়। এনে কথাৰ বাতৰিটোত উল্লেখ কৰাৰ দৰে কেইদিনমান আগতে চাহ বাগিছাৰ কাষৰ এটা নৰ্দমাত পৰি থকা অৱস্থাত পোৱালীটোক উদ্ধাৰ কৰি মাকৰ লগত লগ লগাই দিয়াৰ কোনো প্ৰতিবেদন পোৱা হোৱা নাই। তথাপি এই কথা কব পাৰি যে বনৰক্ষী তহলদাৰী বাহিনীয়ে কৰ্ত্তব্যৰত অৱস্থাত যিকোনো জন্তুকে বিপদত পৰিলে আপ্ৰান চেষ্টা কৰি হলেও সিহতক মুক্ত কৰে। গতিকে নৰ্দমাৰ পৰা গড় পোৱালী এটা উদ্ধাৰ কৰা বিষয়টো এটা গতানুগতিক বিষয়।

এইটো কথা সত্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণফালে থকা ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দক্ষিণত কাৰ্বি আংলং জিলাৰ এলেকাত অৱস্থিত। বাৰিষাৰ সময়ত গড়কে আৰম্ভ কৰি বহুতো জীৱ-জন্তু উক্ত কাৰ্বি আংলং জিলা এলেকাত আশ্ৰয়ৰ কাৰণে প্ৰৱেশ কৰে। যিহেতু ৰাষ্ট্ৰীয় উদ্যান কৰ্ত্তৃপক্ষৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ এই এলেকাত নেথাকে সেই সুযোগলৈ চোৰাং চিকাৰীয়ে বিশেষকৈ গড় নিধনৰ প্ৰয়াস পায়। তথাপি পাৰ্য্যমানে ৰাষ্ট্ৰীয় উদ্যানৰ কৰ্ত্তৃপক্ষই সম্ভৱপৰ স্থলত অস্থায়ী শিৱিৰ পাতি চোৰাং চিকাৰীৰ কবলৰ পৰা জীৱ-জন্তুক ৰক্ষা কৰিবলৈ অক্লান্ত চেষ্টা চলাই থাকে। এই বিষয়ত ৰাষ্ট্ৰীয় উদ্যানৰ কৰ্ত্তৃপক্ষই কাৰ্বি আংলং

* Speech not corrected.

জিলাৰ আৰক্ষী আৰু বন বিভাগৰ পৰাও সন্তুষ্টপৰ ক্ষেত্ৰত সাহায্যালয়। বাতৰিত কোৱা মতে কাৰ্বি আংলং জিলাৰ বন বিভাগে চোৰাং চিকাৰী ধৰাৰ ক্ষেত্ৰত সহযোগিতা নেদেখুৱাৰ কথাতো সত্যতা নাই। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ কাৰ্বিআংলং জিলাৰ আৰক্ষী বিভাগ আৰু কাৰ্বি আংলং জিলাৰ বন বিভাগৰ যুটীয়া প্ৰচেষ্টাত চোৰাং চিকাৰীৰ গড় নিধন প্ৰচেষ্টাও যথেষ্ট বাধা প্ৰদান কৰা হৈছে আৰু বাতৰিত কোৱাৰ দৰে কাৰ্বি আংলং জিলাৰ পাহাৰীয়া ঠাইবোৰ চোৰাং চিকাৰীৰ ভূ-স্বৰ্গ হোৱা কথাটোৰ সত্যতা নাই। বৰং ৰাষ্ট্ৰীয় উদ্যানৰ তহলদাৰী দলৰ লগত এই বছৰ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰে আৰু বাহিৰে কেইবাটাও সংঘৰ্ষ হৈ যায়। এনেবোৰ সংঘৰ্ষত এতিয়ালৈকে এই বছৰটোত (১৯৯১ চনত) ৬ জন চোৰাং চিকাৰীৰ মৃত্যু হয় আৰু কাৰ্বাইন, পৰ্য্যন্ত ৩০৩ ৰাইফল, পৰ্য্যন্ত ৪৭৫ ৰাইফল বন্দুক আৰু বহুতো খাৰবাৰুদ ৰাষ্ট্ৰীয় উদ্যানৰ তহলদাৰী দলে কৰায়ত্ব কৰে। কেইবাটাও গোচৰ অসম আৰক্ষী আৰু কাৰ্বি আংলং আৰক্ষী থানাত ৰুজু কৰা হয়। তদন্ত চলি আছে। কাৰ্বিআংলং জিলাৰ এটা অংশ ৰাষ্ট্ৰীয় উদ্যানত চামিল কৰাৰ বিষয়ে কাৰ্বি আংলং জিলা পৰিষদৰ লগত আলোচনা হয়। এই বাবদ কাৰ্বিআংলং জিলা পৰিষদক ৪,৭১,০০০ টকা ইতিমধ্যে আদায় দিয়া হয়। উক্ত অঞ্চলখিনি হস্তান্তৰ কৰাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰাও গড় সংৰক্ষণ কৰাৰ বাবদ পূৰ্ণ পৰ্য্যায়ত ১৯৮৬-৮৭ চনৰ পৰা "Conservation of Rhinos in Assam" শীৰ্ষক এখন আঁচনিৰ জৰিয়তে অনুদান লাভ কৰি অহা হৈছে। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে যোৱা তিনি বছৰৰ গড় নিধনৰ পৰি সংখ্যা তুলনা-মূলকভাবে চালে দেখা যায় যে ১৯৯১ চনত গড় নিধনৰ সংখ্যা যথেষ্ট পৰিমানে হ্ৰাস পাইছে। ১৯৮৯ চনৰ আগষ্ট মাহলৈকে চোৰাং চিকাৰীৰ দ্বাৰা হত্যা কৰা গড়ৰ সংখ্যা আছিল ২৩ টা। ১৯৯০ চনত এই একে সময়ৰ ভিতৰতে এই সংখ্যা আছিল ২৪ টা। কিন্তু ১৯৯১ চনৰ আগষ্ট মাহৰ শেষলৈকে চোৰাং চিকাৰীৰ দ্বাৰা হত্যা কৰা গড়ৰ সংখ্যা হ'ল ১৬ টা। তদুপৰি এই ১৬ টা গড়ৰ ৬ টা খড়্গা বিভাগৰ তৎপৰতাত চিকাৰীয়ে নিব নোৱাৰিলে।

মাননীয় সদস্য, শৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে পাবলগীয়াই পোৱা নাই আৰু নাপাবলগীয়াই সুবিধা পাইছে সেইটো নহয়। পদত কোনো সলনি কৰা হোৱা নাই, মাত্ৰ এজন বিষয়াক আগৰ পদত ঘুৰাই অনা হৈছে। বাকী বিলাক সকলো একেই আছে।

## LAYING OF REPORT

Mr. speaker: Now item No 6.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): Sir, I beg to lay the report of the Comptroller and Auditor General of India for the year ended 31st March, 1988 No. 3 (Commercial) relating to the Government of Assam.

## LAYING OF REGULATIONS

Mr. speaker: Now, item No. 7.

Mr. Speaker. As the Minister, Power & Rural Electrification is absent, Chief Minister will move.

Shri Hiteswar Saikia (Chief Minister): Sir, I beg to lay the Assam State Electricity Board (General Service) Regulations 1960.

Shri Hiteswar Saikia (Chief Minister): I beg to lay the Assam State Electricity Board Engineering Service Regulations, 1973.

Shri Hiteswar Saikia (Chief Minister): Sir, I beg to lay the Assam State Electricity Board Subordinate Accounts Service Regulations 1965.

Shri Hiteswar Saikia (Chief Minister): Sir, I beg to lay the Assam State Electricity Board Security Force (Service) Regulations, 1975.

Shri Hiteswar Saikia (Chief Minister): I beg to lay the Assam State Electricity Board Officers' (Conduct) Regulations, 1982.

Shri Hiteswar Saikia (Chief Minister): Sir, I beg to lay the Assam State Electricity Board (Laboratory Personnel) Service Regulations 1990.

Shri Hiteswar Saikia (Minister in charge of Town and Country Planning): Sir I beg to move that "3 (three) Members be elected by the Assam Legislative Assembly from amongst its Members to become Members of the Assam State Housing Board as required under Section 4(1) (g) of the Assam State Housing Board Act, 1972" The Assam State Housing Board was dissolved and reconstituted on 27th March, 1991 and on 24th July, 1991. The vacancies have occured as a result and hence the motion moved.

Shri Golok Rajbongshi (Minister, P. W. D.): Sir, I beg to move that the Assembly recommends that the Assam Road Communication Board be constituted to advise Government in the matter of road development in the General Areas of the State with the following members and that they (members) do hold office for the life time of this Legislative Assembly.

| | | |
|---|---|---|
| 1. | Minister-in-charge of P. W. D. | Chairman |
| 2. | Minister of State P. W. D. | Vice-Chairman |
| 3. | Secretary to the Government of Assam, P.W.D. | Member, Secretary |
| 4. | Chief Engineer, P. W. D. (Roads) | Member |
| 5. | Add. Chief Engineer, (Roads) | " |
| | Add. Chief Eastern Zone, Dibrugarh | " |
| | Add. Chief Tezpur Zone, Tezpur | " |
| | Add. Chief Western Zone, Chandmari | " |

Add. Chief Central Zone, Chandmari Member
Add. Chief Planning (Roads) Bd, CE's ,,
office.

6. Deputy Secretary to the Government of Assam, P. W. D., in Charge Planning — Assistant Secretary to the Board

7. 40(forty) members, one representing each Civil Sub—Division to be elected by the Members of the Legislative Assembly.

8. 15 (fifteen) Members to be nominated by the Government to represent Municipal Boards/Town Committee, Mahkuma Parishads.

9. Msnister in-charge Transport — Member
10. Minister in-charge, Industries — ,,
11. Minister in-charge, Hill Areas — ,,
12. Minister in-charge, Soil Conservation ,,
13. Minister, In-charge, Flood Control ,,
14. Secretary to the Government of Assam, Transport Department — ,,
15. Secretary to the Govt. of Assam, Industries Department — ,,
16. Secretary to the Government of Assam, Flood Control Department — ,,
17. 2(two) members (one member of Lok Sabha and one member of Rajya Sabha from Assam) to be coopted by the Govt". — ,,

## OBITUARY REFERENCES

Mr. Speaker: Now, obituary references with a heavy heart, I rise to condole the death of the following personalities in this August House.

Shri Samar Brahma Choudhury, former Minister of Assam and a former M. P. was born in 1932 at Kokrajhar. Shri Brahma Choudhury participated in various students movements. He was also associated with number Bodo Cultural Organiser and Boro Sahitya Sabha. He was also the Organiser of the Plains Tribal Council of Assam. He held the Office of the President, Kachugaon Anchalic Panchayat in 1964-67. He was elected to the Assam Legislative Assembly in 1978 as a member and was appointed Minister of Forests, Veterinary and Animal Husbandry etc. In 1985 he was elected as a Member of Parliament (Lok Sabha). He met a tragic death alongwith his son on 27th August, 1991 in his own house at hablubari in Kokrajhar District. He left behind his wife Smti Sandhya Rani Brahma, two sons and a daughter. In his premature death the people of Assam has lost a dynamic political leader and social worker.

Former Kerala Chief Minister and veteran C.P.I. leader Shri Chelat Achuta Menon was born in 1913 in the State of Kerala. He was elected to the Kerala Legislative Assembly in 1969 and was elected as the leader of the Party and became Chief Minister from 1969 to 1977. The interest of Kerala was always close to his heart. Shri Menon died at the Sree Chithira Medical Centre on the night of 16th August, 1991 following a cardial arrest at the age

of 78. In his death the country has lost a prominent political leader.

Prominent Freedom Fighter Shri Tileswar Dutta was born in the year 1884 at Jiyamoria village under Dhokuwakhana Sub-division of Lakhimpur District. He was associated with the great personalities like Mahatma Gandhi Sayaid Ali, Tarun Chandra Phukan and Nabin Chandra Bordoloi during the period of freedom movement. He was imprisoned in several times. Shri Dutta died on 19th August 1991 in his own residence due to old age ailment. He leaves behind three sons. In his death the people of Assam have lost a prominent freedom fighter and social worker.

Former President of All India Football Federation, former Vice-President of Indian Olimpic Association, Shri Nurul Amin was a front ranking Sportsman of Assam. He was associated with a number of Sports Organisations. Shri Amin died at Nagaon on 29th August, 1991 at the age of 72. Shri Amin is survived by his wife, two sons and a daughter. Mourn the death of this veteran Sportsman of immense talent.

As a mark of respect to the departed souls I request the Honourable Members of this August House to rise from their seats to observe one minute silence for their eternal peace.

(The House observed one minute silence )

Mr. Speaker : The House stands adjourned till 9 A.M of Monday, the 9th September, 1991.

## ADJOURNMENT

The House then rose at 10-55 AM and stood adjourned till 9 A. M. on Monday, the 9th September, 1991.

S. N. Deka
Secretary
Assam Legislative Assembly

Dispur
The 6th September, 1991

# ANNEXURE—1

(১) গাইবন্ধাৰ পৰা টিকৰি কিল্লা, লক্ষীপুৰ, আগিয়া, কৃষ্ণাই, ৰংজুলি, শিমলিতোলা হেকেৰা, শিংৰা, ৰিজয়নগৰ, পলাশবাৰী হৈ গুৱাহাটী গড়পাণ্ডুলৈ।

(২) চুনাৰিৰ পৰা লক্ষীপুৰ বগুৱান, আমবাৰী, বাকৰাখোৱা, খৰমুজা, মাকৰি, গোৱালপাৰা, তুৱাগা, মৰনৈ, সৈনিকস্কুল, গোৱালপাৰা, মাতিয়া, তুধনৈ, বিজয়নগৰ, পলাশবাবী, ধাৰাপুৰ হৈ গুৱাহাটীৰ গড়পাণ্ডুলৈ।

(৩) চুনাৰিৰ পৰা লক্ষীপুৰ ৰগুৱান, আমবাৰী, খৰমুজা, কবৈখোৱা; ববভিটা গোৱালপাৰা, সৈনিকস্কুল, মৰনৈ, দলখোৱা, মাতিয়া, শিমিলিতোলা, ৰংজুলী ধুপধৰা, মিৰ্জা পলাশবাৰী, ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(৪) কৰৈখোৱাৰ পৰা ববভিটা, গোৱালপাৰা, দলগোমা, শিমিলিতোলা, ৰংজুলি, মিৰ্জা, পলাশবাৰী· ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(৫) লক্ষীপুৰৰ পৰা টিকৰিকিল্লা, কৰৈখোৱা, পঞ্চৰত্ন, গোৱালপাৰা, মাতিয়া, নগৰবেৰা, শিংৰা, পলাশবাৰী, ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(৬) মানকাচাৰৰ পৰা ফুলবাৰী, টিকৰিকিল্লা, লক্ষীপুৰ আগিয়া, গোৱালপাৰা, মাটিয়া, তুধনৈ, বিজয়নগৰ, পলাশবাৰী, ধুপধৰাহৈ গড়পাণ্ডুলৈ।

(৭) লক্ষীপুৰৰ পৰা ৰগুৱান, আমবাৰী, খৰমুজা, ববভিটা, পঞ্চৰত্ন, গোৱালপাৰা, সৈনিকস্কুল, মৰনৈ, দলগোমা, মাটিয়া, তুধনৈ, মিৰ্জা, পলাশবাৰী, ধাৰাপুৰহৈ, গড়পাণ্ডুলৈ।

(৮) আমবাৰীৰ পৰা গোৱালপাৰা, মাটিয়া, শিমলিতোলা, ৰংজুলি, ৰিজয়নগৰ, পলাশবাৰী, ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(৯) পোৰা ভিটাৰ পৰা টিকৰিকিল্লা, আগিয়া, কৃষ্ণাই, দলগোমা, তুধনৈ, বিজয়নগৰ, পলাশবাৰী, ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(১০) ফকিৰগঞ্জৰ পৰা টিকৰিকিল্লা, লক্ষীপুৰ, আগিয়া গোৱালপাৰা, ৰংজুলি, শিমলিতলা, নগৰবেৰা, হেকেৰা শিংৰা, বিজয়নগৰ, পলাশবাৰী ধাৰাপুৰহৈ, গড়পাণ্ডুলৈ।

(১১) ফকিৰগঞ্জৰ পৰা আইৰকটা পৰাভিটা, লক্ষীপুৰ, আগিয়া, বংজুলি, শিমিলিতলা, হেকেৰা, শিংৰা, পলাশবাৰী, ধাৰাপুৰহৈ গড়পাণ্ডুলৈ।

(১২) পঞ্চৰত্নৰ পৰা গোৱালপাৰা, আগিয়া, লক্ষীপুৰহৈ মানকাচৰৰ কাকৰিপাৰালৈ।

(১৩) জলেশ্বৰৰ পৰা লক্ষীপুৰ, আগিয়া, গোৱালপাৰা, মাটিয়া, তুধনৈ, বিজয়নগৰ, পলাশবাৰী ধাৰাপুৰহৈ।

## ANNEXURE— III

তৰা চিহ্নত প্ৰশ্ন নং— ১৯
উত্তৰ দিয়াৰ তাৰিখ— ৬/৯/৯১
শ্ৰীজয়নাথ শৰ্ম্মা বিধায়ক

সদনত দাখিলৰ বাবে তালিকা—

১৯৯০ চনৰ ১লা ডিচেম্বৰৰ পৰা ১৯৯১ চনৰ ১লা আগষ্টলৈ ঔষধ-পাতি চিকিৎসালয় সমূহত যোগান ধৰিবলৈ তলত দেখুৱামতে টকা আবণ্টন দিয়া হৈছিল। মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়াৰ জৰিয়তে।

| | | | |
|---|---|---|---|
| (১) | ধুবুৰী | — | ২৬ ৭৫,০০০·০০ টকা |
| (২) | গোৱালপাৰা | — | ২০,৬৬,০০০·০০ টকা |
| (৩) | কোকৰাঝাৰ | — | ২০,২২,০০০·০০ টকা |
| (৪) | বৰপেটা | — | ২২,২২,০০০·০০ টকা |
| (৫) | নলবাৰী | — | ২২,৭৬,০০০·০০ টকা |
| (৬) | কামৰূপ | — | ২৫,১৬,০০০·০০ টকা |
| (৭) | দৰং | — | ২৯,০৬,০০০·০০ টকা |
| (৮) | শোনিতপুৰ | — | ২৭,২৬,০০০·০০ টকা |
| (৯) | লক্ষীমপুৰ | — | ১৯,৩১,০০০·০০ টকা |
| (১০) | ডিব্ৰুগড় | — | ২৬,৮৫,০০০·০০ টকা |
| (১১) | শিৱসাগৰ | — | ২৩,৩৫,০০০·০০ টকা |
| (১২) | যোৰহাট | — | ২৮,৯০,০০০·০০ টকা |
| (১৩) | গোলাঘাট | — | ২৫,০৬,০০০·০০ টকা |
| (১৪) | নগাওঁ | — | ৪৫,৯৭,০০০·০০ টকা |
| (১৫) | কাছাৰ | — | ২১,৩৪,০০০·০০ টকা |
| (১৬) | কৰিমগঞ্জ | — | ২৮,৯৮,০০০·০০ টকা |
| (১৭) | কাৰ্বি আংলং | — | ১৫,৯০,০০০·০০ টকা |
| (১৮) | উত্তৰ কাছাৰ | — | ১১,৭১,০০০·০০ টকা |
| | :ঠ: | — | ৪,৪৯,৪৬,০০০·০০ টকা |

ওপৰোক্ত আবণ্টন দিয়া টকাৰ পৰা ঔষধৰ উপৰিও অস্ত্ৰোপচাৰৰ সামগ্ৰী বেণ্ডেজ, বিচনাচাদৰ, আঠুৱা ইত্যাদি যোগানৰ বাবে দিয়া হয়।

District wise Allocation of JRY resources du

| Name of the District | Indira Awaas Yojana | | | Allocation Million wells s | |
|---|---|---|---|---|---|
| | Central | State | Total | Central | |
| 1 | 2 | 3 | 4 | 5 | |
| * **Assam** | | | | | |
| 1. Dhubri | 2.22 | 0.55 | 2.77 | 13.94 | 3 |
| 2. Kokrajhar | 11.74 | 2.93 | 14.67 | 65.42 | 16 |
| 3. Goalpara | 6 35 | 1.59 | 7.94 | 38.98 | 9 |
| 4. Barpeta | 6.14 | 1.54 | 7.68 | 42.74 | 10 |
| 5. Nalbari | 6.54 | 1.64 | 8.18 | 44.87 | 11 |
| 6. Kamrup | 9 26 | 2.32 | 11.58 | 57.02 | 14 |
| 7. Darrar g | 8.06 | 2.01 | 10 07 | 58.67 | 14 |
| 8. Sonitpur | 4.78 | 1.20 | 5.98 | 34.30 | 8 |
| 9. Lakhimpur | 12.14 | 3.03 | 15.17 | 92.14 | 23 |
| 10. Dibrugarh | 5.44 | 1.36 | 6.80 | 45.31 | 11 |
| 11. Sibsagar | 1.57 | 0.49 | 2.45 | 10.54 | 2 |
| 12. Jorhat | 5.04 | 1.26 | 6.30 | 22.09 | [illegible] |
| 13. Golaghat | 3.22 | 0.81 | 4.03 | 14.51 | 3 |
| 14. Nagaon | 14.35 | 3.59 | 17.94 | 181.20 | 45 |
| 15. Karbi Anglong | 11.03 | 2.76 | 13.79 | 49.33 | 12 |
| 16. N. C. Hills | 2.68 | 0.67 | 3.35 | 1.86 | 0 |
| 17. Cachar | 6.95 | 1.74 | 8.69 | 35.89 | 8 |
| 18. Karimganj | 3.82 | 0.96 | 4.78 | 9.53 | 2 |
| TOTAL— | 121.74 | 30.44 | 152.18 | 818.34 | 20 |

## ANNEXURE— IV

## LIST OF INDUSTRIES

1. Bee Keeping Industry.
2. Village Oil Industry.
3. Gur & Khandsari Industry.
4. Village Pottery Industry.
5. Cottage March Industry.
6. Village Leather Industry.
7. Cane & Bamboo Industry.
8. Hand Made Paper Industry.
9. Non-Edible Oil & Soap Industry.
10. Carpentry & Blacksmithy Industry.
11. Fibre Industry.
12. Medicinal plant.
13. Fruit & Vegitable Preservation.
14. Processing cereals of pulse Industry.
15. Lime Industry.